www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, OCTOBER 19, 2024 ■ শনিবাৰ।। ২ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮৫ Guwahati, Assam ।। মূল্যঃ এটকা

## 'ৰ'ৰ এজেণ্টক লাগে এফবিআইক

নিউয়ৰ্ক, ১৮ অক্টোবৰঃ 'বিশ্বগুৰু' প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত লাহে লাহে অৱনতি ২ পৃষ্ঠাত চাওক

## আৰু নোৱাৰি! একেদিনাই হোৱাটছএপ গ্ৰুপ এৰিলে ২ লাখ শিক্ষকে

# হিমন্তৰ বিৰুদ্ধে মুকলি বিদ্ৰোহত নামিল শিক্ষক সমাজ



ই-সংবাদ, ১৮ অক্টোবৰঃ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমলৈ পিঠি দি বিজেপিৰ ৰাষ্ট্ৰীয় সমিতিয়ে দিয়া দায়িত্ব পালনৰ্থে ঝাৰখণ্ডত ব্যস্ত থকাৰ অভিযোগৰ মাজতে ৰাজ্যত বৃহৎ বিদ্ৰোহ আৰম্ভ হৈছে। হঠাতে এই বিদ্ৰোহে ভয়ানক ৰূপ লৈছে। ডিজিটেল ইণ্ডিয়াৰ কথা কৈ অহা চৰকাৰৰ শেষাংশ ৬ পৃষ্ঠাত



আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ আৰম্ভণি অনুষ্ঠানত অন্যান্যসকলৰ সৈতে মুখ্যমন্ত্ৰী

## ডিব্ৰুগড়লৈ চিবিআইৰ দল, টাৰ্গেট চুমি!

নই-সংবাদ, ১৮ অক্টোবৰঃ বিতৰ্কিত নৃত্য প্ৰশিক্ষক তথা অভিনেত্ৰী শেষাংশ ৩ পৃষ্ঠাত

## ৫ জনীয়া কমিটি গঠন বিৰোধীৰ

গুৱাহাটী, ১৮ অক্টোবৰঃ অসম সন্মিলিত মঞ্চ চমুকৈ 'অসম'ৰ উমৈহতীয়া প্ৰাৰ্থী সন্দৰ্ভত সিদ্ধান্ত শেষাংশ ৩ পৃষ্ঠাত

## কংগ্ৰেছলৈ! বিজেপি এৰিলে জয়ন্ত বৰাই



ই-সংবাদ, ১৮ অক্টোবৰঃ অসম বিজেপিত ন-পুৰিণৰ যুঁজখন অব্যাহত আছে। সোণোৱাল পন্থী আৰু শেষাংশ ৪ পৃষ্ঠাত

## ৭০০ দিনৰ অন্তত মুকলি আকাশৰ তললৈ আহিল দিল্লীৰ প্ৰাক্তন মন্ত্ৰী সত্যেন্দ্ৰ জৈন



নতুন দিল্লী, ১৮ অক্টোবৰঃ দীৰ্ঘদিনীয়া কাৰাবন্দীত্বৰ পৰা মুক্ত হ'ল আন এজন আপ নেতা! প্ৰায় দুবছৰ পূৰ্বে অবৈধ বিত্তীয় লেনদেনৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল দিল্লীৰ আম আদমী পাৰ্টি চৰকাৰৰ প্ৰাক্তন শেষাংশ ৪ পৃষ্ঠাত

## ধৰ্মীয় মেৰুকৰণৰে বিজেপিক জিকোৱাৰ চেষ্টা

## অসম এৰি ঝাৰখণ্ডত ব্যস্ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব

ই-সংবাদ, ১৮ অক্টোবৰঃ দুই ৰাজ্য মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনক লৈ মিত্ৰজোঁটৰ দলসমূহে আসন ভাগ-বাটোৱাৰা কৰাত ব্যস্ত হৈ পৰিছে। কংগ্ৰেছ নেতৃত্বাধীন ইণ্ডিয়া আৰু বিজেপি নেতৃত্বাধীন এনডিএৰ শেষাংশ ৬ পৃষ্ঠাত



## জাতীয় শ্বহীদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি

## সমগ্ৰ ৰাজ্যত আছুৰ বন্তি প্ৰজ্বলন

ই-সংবাদ, ১৮ অক্টোবৰঃ নতুন দিল্লীৰ পৰা গুৱাহাটীত উপস্থিত হোৱা আছুৰ তিনি শীৰ্ষ নেতা উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ শেষাংশ ৫ পৃষ্ঠাত



## মৌনব্ৰত ভংগ! ৰায়ক লৈ অস্বস্তিত পৰিছে বিজেপি

## 'কা' লাগিবই বুলি দাবী

ই-সংবাদ, ১৮ অক্টোবৰঃ উচ্চতম ন্যায়ালয়ে অসমৰ নাগৰিকত্বৰ ভিত্তিবৰ্ষ তথা বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চনৰ ২৫ মাৰ্চ বাহাল ৰাখি ৰায় দিয়াৰ শেষাংশ ৩ পৃষ্ঠাত

## বেদান্তই খালে মুখথেকেচা, এইবাৰলৈ গিবনৰ ৰক্ষা!

ই-সংবাদ, ১৮ অক্টোবৰঃ প্ৰকৃতিৰ অনুপম সৃষ্টি গিবন অভয়াৰণ্যত তেলৰ সন্ধান কৰিবলৈ গৈ মুখথেকেছা খাবলগীয়া হ'ল বেদান্ত তেল আৰু গেছ কোম্পানী। বহিৰাগত কোম্পানীটোক জৈব বৈচিত্ৰ্যত আঘাত হানি গিবন অভয়াৰণ্যত খননৰ অনুমতি প্ৰদানক লৈ ৰাজ্যজুৰি উঠা প্ৰতিবাদৰ জোৱাৰৰ পিছতে




অৱশেষত সেও মানিবলগীয়া হ'ল ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ। এই অনুমোদনক লৈ অলেখ যুক্তি আগবঢ়াইও সেয়া সাকাৰ কৰিব নোৱাৰিলে শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেদান্তই খালে মুখথেকেচা, এইবাৰলৈ

চৰকাৰে। ৰাজ্যজুৰি প্ৰকৃতিপ্ৰেমী, বিভিন্ন দল-সংগঠন আৰু বিৰোধীৰ প্ৰতিবাদ-প্ৰতিৰোধৰ মাজতে শুকুৰবাৰে গিবন অভয়াৰণ্যত বেদান্ত গ্ৰুপৰ তেলৰ অনুসন্ধান আৰু খনন সাময়িকভাৱে হ'লেও স্থগিত ৰাখে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডৰ স্থায়ী সমিতিয়ে। উল্লেখ্য যে, প্ৰকৃতিৰ অনুপম সৃষ্টি হোলোঙাপাৰৰ গিবন অভয়াৰণ্য। এই গিবন অভয়াৰণ্যতে আছে দক্ষিণ এছিয়াৰ ভিতৰতে বিৰল বন মানুহ, হলৌ বান্দৰ। এই অভয়াৰণ্যখনত আছে লাজুকী বান্দৰ, সেন্দুৰীয়া বান্দৰ, বন গাহৰি, চাৰি প্ৰকাৰৰ কেৰ্কেটুৱা, হাতী, বাঘ, নাহৰফুটুকী, আন কেইবাপ্ৰকাৰৰ স্তন্যপায়ী জন্তুৰ লগতে ২১৫ প্ৰকাৰৰ চৰাই আৰু সৰীসৃপ। পৃথিৱীৰ ভিতৰতে দুষ্প্ৰাপ্য ১৩০টা বিলুপ্তপ্ৰায় গিবনৰ ঘৰ এই অভয়াৰণ্যখনলৈ শেহতীয়াকৈ নামি আহিছিল এক ভয়ংকৰ সংকট। কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰণালয়ৰ অধীনস্থ বন উপদেষ্টা পৰিষদৰ পেনেলে বেদান্ত তেল আৰু গেছ কোম্পানীক গিবন অভয়াৰণ্যৰ ৪.৪৯ হেক্টৰ ভূমিত তেল খননৰ অনুমতি প্ৰদান কৰাৰ পিছতে ৰাজ্যজুৰি জাঙুৰ খাই উঠে প্ৰকৃতিপ্ৰেমী আৰু বিভিন্ন দল-সংগঠন। জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি আনিব পৰা চৰকাৰৰ এই হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে যোৰহাটৰ লগতে সমগ্ৰ ৰাজ্যতে উঠে প্ৰতিবাদৰ জোৱাৰ। দল-সংগঠন আৰু বন্যপ্ৰেমীৰ এনে প্ৰতিবাদ আৰু প্ৰতিৰোধে এতিয়া সাময়িক সকাহ আনিছে হোলোঙাপাৰ গিবন অভয়াৰণ্যলৈ। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডৰ স্থায়ী সমিতিয়ে অভয়াৰণ্যখনৰ পৰিৱেশ সংবেদনশীল অঞ্চলত (ইএছজেড)ত বেদান্ত গ্ৰুপৰ তেল আৰু প্ৰাকৃতিক গেছ খননৰ অনুমতি সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইফালে অভয়াৰণ্যৰ বাহিৰৰ পৰিৱেশ সংবেদনশীল অঞ্চলত তেল অন্বেষণৰ প্ৰস্তাৱ দিয়া হৈছে যদিও দেশৰ শীৰ্ষ বন্যপ্ৰাণী সংৰক্ষণ সংস্থাই কয় যে স্থান পৰিদৰ্শনৰ পিছতহে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব। এই ক্ষেত্ৰ পৰিদৰ্শনৰ বাবে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়, ভাৰতীয় বন্যপ্ৰাণী প্ৰাধিকৰণ, অসম বন বিভাগ আৰু বন্যপ্ৰাণী বিজ্ঞানী তথা ব'ৰ্ডৰ স্বতন্ত্ৰ সদস্য ৰমন সুকুমাৰৰ উপস্থিতি নিশ্চিত কৰা হৈছে। এই নিৰীক্ষণে পৰিবেশ আৰু বন্যপ্ৰাণীৰ ওপৰত প্ৰস্তাৱিত অন্বেষণ প্ৰকল্পৰ প্ৰভাৱ বুজিবলৈ সহায় কৰিব। ইফালে ব'ৰ্ডে খননৰ প্ৰস্তাৱ নাকচ কৰিলেও অভয়াৰণ্যখনৰ মাজেৰে পাৰ হৈ যোৱা ৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ বৈদুতিক ৰে'লপথৰ বাবে চৰ্তসাপেক্ষ অনুমোদন জনায়। ব'ৰ্ডে অভয়াৰণ্যখন দুটা খণ্ডত খণ্ডিত কৰা ৰে'লপথটোৰ ১১.৬৫ কিলোমিটাৰ ৰেলপথ নিৰাপদে পাৰ হ'ব পৰাকৈ কৃত্ৰিম আৰু প্ৰাকৃতিক অভাৰব্ৰীজ নিৰ্মাণৰ পৰামৰ্শ আগবঢ়ায়। ইয়াৰোপৰি বন্যপ্ৰাণীৰ পথ স্থাপন নোহোৱালৈকে বিদ্যুৎ তাঁৰ সক্ৰিয় নকৰিবলৈও পৰামৰ্শ দিয়ে প্ৰতিষ্ঠানটোৱে। লক্ষণীয় যে, ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডে গিবন অভয়াৰণ্যত বেদান্তৰ তৈল খনন সাময়িকভাৱে স্থগিত ৰখাৰ পিছতে স্বস্তিৰ নিশ্বাস এৰিছে প্ৰকৃতিপ্ৰেমী বিভিন্ন দল-সংগঠনে। যোৰহাট সমষ্টিৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়েও ব'ৰ্ডৰ এই সিদ্ধান্তক আদৰণি জনায়। কিন্তু তেওঁ পৰিৱেশৰ সম্যক মূল্যায়নৰ প্ৰয়োজনীয়তাৰ কথাও দোহাৰে। তেওঁ কয়, 'এই স্থগিতাদেশ সাময়িকহে। চৰকাৰৰ সংশ্লিষ্ট সংস্থাসমূহে পৰিৱেশ প্ৰভাৱৰ সম্যক মূল্যায়ন কৰিব লাগিব। হ্ৰস্বম্যাদী লাভৰ বাবে অসমৰ প্ৰাকৃতিক ঐতিহ্য আৰু বিপন্ন বন্যপ্ৰাণীৰ ক্ষতি কৰিব নালাগে।" উল্লেখ্য যে, গিবন অভয়াৰণ্যত বেদান্ত গ্ৰুপক তেলৰ অনুসন্ধান আৰু খননত চৰকাৰে অনুমোদন জনোৱাৰ পিছতে আগষ্ট মাহত ইয়াক লৈ উদ্বেগ প্ৰকাশ কৰিছিল কংগ্ৰেছ সাংসদগৰাকীয়ে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱলৈ লিখা এখন পত্ৰত গগৈয়ে এই প্ৰস্তাৱৰ পুনৰ বিবেচনাৰ আহ্বান জনায়। তেওঁ নিজৰ পত্ৰত উল্লেখ কৰিছে যে হোলোঙাপাৰ গিবন অভয়াৰণ্য হুলুক গিবনৰ বাবে এক গুৰুত্বপূৰ্ণ বাসস্থান, আৰু প্ৰস্তাৱিত প্ৰকল্পটোত অনুমোদন জনোৱাটো বন বিভাগৰ বাবে অতি চিন্তনীয় বিষয়। গিবন অভয়াৰণ্যত তেল খননৰ অনুমোদনক লৈ বিৰোধী, দল-সংগঠন আৰু প্ৰকৃতিপ্ৰেমীসকলে প্ৰতিবাদ জনালেও অৱশ্যে ইয়াৰ পক্ষত যুক্তি আগবঢ়াই গৈছিল শাসকীয় বিজেপিয়ে। মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে প্ৰতিবাদকাৰীক কঠোৰ সমালোচনা কৰি দাবী কৰিছিল যে নীতি বহিৰ্ভূতভাৱে গিবনত বেদান্ত কোম্পানীক তেল খনন কৰিবলৈ দিয়া হোৱা নাই। ৰূপজ্যোতি কুৰ্মীয়ে তেতিয়াই কৈছিল, "প্ৰথমে গিবনত ফুলৰ পুলি এটা ৰোৱক, তাৰ পিছতহে গিবনক লৈ ৰাজনীতি কৰিব।" গিবনৰ গছ পুলি এটা উভলাৰ পূৰ্বে তেওঁৰ ঘৰৰ খুঁটা এটা উভালিব লাগিব বুলিও তৈল খননৰ সপক্ষে যুক্তি দৰ্শাইছিল বিজেপি বিধায়কজনে। এইবোৰৰ মাজতে বন্যপ্ৰাণী ব'ৰ্ডৰ নিৰ্দেশে প্ৰকৃতিপ্ৰেমীসকলক সকাহ প্ৰদান কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ৰ'ৰ এজেণ্টক লাগে এফবিআইক

ঘটিছে ভাৰতৰ বৈদেশিক সম্পৰ্কৰ। কানাডৰ সৈতে সম্পৰ্কৰ অৱনতিৰ পিছত এইবাৰ আমেৰিকাৰ সৈতেও ভাৰতৰ সম্পৰ্কৰ অৱনতি ঘটাৰ আশংকা বৃদ্ধি পাইছে। ইণ্ডো-আমেৰিকান খালিস্তানী বিচ্ছিন্নতাবাদী নেতা গুৰুপতৱন্ত সিং পন্নুৰ হত্যাৰ অপচেষ্টাত নৰেন্দ্ৰ মোদী চৰকাৰৰ ভূমিকাক লৈ প্ৰশ্নৰ উত্থাপন হৈছে। এই পন্নুন কাণ্ডত ভাৰতীয় চোৰাংচোৰা সংস্থা 'ৰ" জড়িত থকা সন্দৰ্ভত মোদী চৰকাৰৰ পৰা বিবৃতি দাবী কৰিছে বিৰোধীয়েও। দৰাচলতে ভাৰতীয় নাগৰিক বিকাশ যাদৱৰ বিৰুদ্ধে আমেৰিকাৰ আদালতত উত্থাপন হৈছে নিষিদ্ধ খালিস্তানী সংগঠন শিখছ ফৰ জাষ্টিছৰ নেতা গুৰুপতৱন্ত সিং পন্নুনৰ হত্যাৰ ষড়যন্ত্ৰত জড়িত থকাৰ অভিযোগ। বিকাশ যাদৱক ভাৰতীয় চোৰাংচোৰা সংস্থা ৰ'ৰ প্ৰাক্তন সদস্য বুলি দাবী কৰি বৃহস্পতিবাৰে এফ বি আইয়ে প্ৰকাশ কৰা তেওঁলোকৰ অভিযোগনামাত উল্লেখ কৰে পন্নুনৰ হত্যাৰ ষড়যন্ত্ৰত মূল ভূমিকা পালন কৰিছিল এই ভাৰতীয় নাগৰিকজনে। আমেৰিকাৰ মাটিত খালিস্তানী নেতা গুৰুপতৱন্ত সিং পন্নুনৰ হত্যাৰ বাবে ২০২৩ চনৰ মে' মাহত নিখিল গুপ্তা নামৰ এজন লোকক নিৰ্দেশ দিছিল বিকাশ যাদৱে। ভাৰতৰ পৰাই তেওঁ এই হত্যাৰ পৰিকল্পনা কৰিছিল। ইফালে পন্নুনৰ হত্যাৰ বাবে নিখিল গুপ্তাই এজন হিটমেন নিয়োগ কৰিছিল, কিন্তু সেই হিটমেনজন যে আচলতে ড্ৰাগছ এনফৰ্চমেণ্ট এডমিনিষ্ট্ৰেচনৰ আণ্ডাৰকভাৰ এজেণ্ট আছিল সেই কথা জনা নাছিল গুপ্তাই। তেওঁ হিটমেনজনক এই হত্যাকাণ্ডৰ বাবে এক লাখ ডলাৰ দিবলৈ সন্মত হয় আৰু ২০২৩ চনৰ ৯ জুনত মানহাটানত ১৫ হাজাৰ ডলাৰ আগধনো প্ৰদান কৰে। কিন্তু ২০২৩ চনৰ ৩০ জুনত গুপ্তাক চেক কৰ্তৃপক্ষই গ্ৰেপ্তাৰ কৰি ২০২৪ চনৰ জুন মাহত আমেৰিকালৈ প্ৰত্যাৰ্পণ কৰে। অন্যহাতে বৰ্তমান পলাতক হৈ থকা বিকাশ যাদৱক 'মষ্ট ৱাণ্টেড' ঘোষণা কৰিছে এফ বি আইয়ে। পন্নুনৰ হত্যাৰ ষড়যন্ত্ৰত বিকাশ যাদৱৰ নাম পোহৰলৈ অহাৰ পিছতে ভাৰতীয় চোৰাংচোৰা সংস্থা ৰ'ৰ সৈতে তেওঁৰ সম্পৰ্কও চৰ্চালৈ আহিছে। এই সন্দৰ্ভত বৃহস্পতিবাৰে স্পষ্টীকৰণ দি বৃহস্পতিবাৰে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে "ন্যায় বিভাগৰ অভিযোগনামাত যিজন ব্যক্তিৰ নাম উল্লেখ কৰা হৈছে, তেওঁ এতিয়া ভাৰত চৰকাৰৰ কৰ্মচাৰী নহয়।" অৱশ্যে বিকাশ যাদৱ পূৰ্বে ভাৰত চৰকাৰৰ কৰ্মচাৰী আছিল বুলিও নিশ্চিত কৰে জয়ছৱালে। তেওঁ লগতে কয় যে আমেৰিকাত পন্নুনৰ হত্যাৰ ষড়যন্ত্ৰ সন্দৰ্ভত আভ্যন্তৰীণ তদন্ত চলাই আছে ভাৰতে। কিন্তু এই ষড়যন্ত্ৰত কোনো ভাৰতীয় নাগৰিক জড়িত আছিল নে নাই সেয়া স্পষ্ট কৰা নাই বিদেশ মন্ত্ৰালয়ে। ইফালে নিজৰ এক্স একাউণ্টত প্ৰকাশ কৰা এক বিবৃতিত পন্নুনে কয় যে যাদৱৰ বিৰুদ্ধে অভিযোগ দাখিল কৰি "আমেৰিকা চৰকাৰে দেশ-বিদেশৰ আমেৰিকান নাগৰিকৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা সাংবিধানিক দায়িত্ব পালনৰ ক্ষেত্ৰত জীৱন, স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা ৰক্ষাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰিছে।" তেওঁৰ বিবৃতিত পন্নুনে দাবী কৰে যে যাদৱ এজন "মধ্যম স্তৰৰ জোৱান" যাক ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু ৰ'ৰ মুৰব্বী সামন্ত গোৱালে তেওঁক হত্যা কৰাৰ নিৰ্দেশ দিছিল। খালিস্তানৰ দাবীৰে গণতান্ত্ৰিক উপায়েৰে গণভোট অভিযান চলাই অহা সকলক দমন কৰিবলৈ এই নীতি প্ৰধানমন্ত্ৰী মোদীয়ে গ্ৰহণ কৰা বুলিও দাবী কৰে বিচ্ছিন্নতাবাদী নেতাজনে। ইফালে তেওঁৰ বিৰুদ্ধে হত্যাৰ ষড়যন্ত্ৰক লৈ যোৱা ১৮ ছেপ্টেম্বৰত পন্নুনে ভাৰত চৰকাৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, ৰ'ৰ মুৰব্বী সামন্ত গোৱাল, বিকাশ যাদৱ আৰু নিখিল গুপ্তাৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰে। এই গোচৰৰ ভিত্তিতে নিউয়ৰ্কৰ দক্ষিণ জিলা আদালতে আটাইকেইজনক চমন জাৰি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিব্ৰুগড়লৈ চিবিআইৰ দল

চুমি বৰা, স্বামী তাৰ্কি বৰা আৰু প্ৰৱঞ্চক বিশাল ফুকনৰ প্ৰসংগ পুনৰ চৰ্চা হ'ব ধৰিছে। অনলাইন ট্ৰেডিঙৰ নামত ৰাজ্যৰ কেইবা শ লোকক প্ৰৱঞ্চনা কৰি কোটি কোটি টকা ঘটিছিল চুমি বৰা, চুমি বৰাৰ স্বামী তাৰ্কিক বৰা আৰু সম্পৰ্কীয় ভাতৃ বিশাল ফুকনে। ধন উভতাই নিদি বিলাসী জীৱন কটাইছিল। কোটি কোটি টকা খৰছ কৰি বিদেশ ভ্ৰমণ কৰিছিল। বহিঃৰাজ্যত বিয়া পাতি কোটি কোটি টকা উৰুৱাই দিছিল। সামাজিক মাধ্যমত প্ৰায় এটা পযেক তোলপাৰ লগোৱা চুমি বৰা, তাৰ্কিক আৰু বিশালক গ্ৰেপ্তাৰ কৰি জেল হাজোতত ভৰোৱা হৈছে। অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰি দুয়োকে গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড়ৰ কাৰাগাৰত বন্দী কৰিছে। এইবাৰ ৰাজ্য চৰকাৰ চিবিআইক হস্তান্তৰ গোচৰৰ তদন্তৰ ভাৰ লোৱা চিবিআইয়ে তদন্ত কৰিব চুমি, তাৰ্কিক আৰু বিশালক। ১১ হাজাৰ কোটি টকীয়া ট্ৰেডিং কেলেংকাৰীৰ তদন্ত কৰিব চিবিআইয়ে। আজি ডিব্ৰুগড়ত উপস্থিত হয় চিবিআইৰ দল। ডিব্ৰুগড় থানাত চিবিআইৰ ৫ জনীয়া দলটোৱে গোচৰৰ তথ্য-পাতি সংগ্ৰহ কৰে। ফাইল সংগ্ৰহ কৰি ডিব্ৰুগড়ৰ আৰক্ষী থানাতে তন্নতন্নকৈ নথি-পত্ৰ পৰীক্ষা কৰে। ডিব্ৰুগড় আৰক্ষী থানাত ৩৫২/২০২৪ নম্বৰত পঞ্জীয়ন হোৱা গোচৰত চুমি, বিশাল আৰু তাৰ্কিক, ৰঞ্জিত কাকতিত তদন্তৰ আওতাত ল'ব চিবিআইয়ে। ৰঞ্জিত কাকতিয়েও ট্ৰেডিং এফ এক্সৰ জড়িয়তে প্ৰৱঞ্চনা কৰিছিল। ১২০০ কোটি টকা লুণ্ঠন ৰঞ্জিত কাকতিয়ে। জালিয়াতি ফাদিল হোৱাত চিবিআইত গোচৰ ৰুজু কৰা হয়। ডিব্ৰুগড়ত উপস্থিত হোৱা চিবিআইৰ দলটোৱে ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত বিশাল ফুকন, চুমি বৰা আৰু তাৰ্কিক বৰাক জেৰা কৰাৰ সম্ভাৱনা আছে। চিবিআইয়ে মুঠ ৪১টা গোচৰৰ তদন্ত কৰিব। দীপাংকৰ বৰ্মন, ৰঞ্জিত কাকতি, মহম্মদ ছাকিৰ আৰু ৰাজদ্বীপ দেৱৰ গোচৰো তদন্ত কৰিব চিবিআইয়ে। কিন্তু অসম আৰক্ষীয়ে বৃদ্ধ পিতৃ-মাতৃক গ্ৰেপ্তাৰ কৰিছে যদিও দীপাংকৰ বৰ্মনক আজিলৈ গ্ৰেপ্তাৰ কৰিব পৰা নাই। দীপাংকৰ বৰ্মনৰ বিৰুদ্ধে আছে ৭ হাজাৰ কোটি টকা প্ৰৱঞ্চনাৰ অভিযোগ উঠিছে। গুৱাহাটীৰ বৰা ছাৰ্ভিচত কাৰ্যালয় খুলি দীপাংকৰে লুটিছিল ৭ হাজাৰ কোটি টকা। দীপাংকৰৰ গোচৰো লৈছে চিবিআইয়ে। এতিয়া চিবিআইৰ জালত আৰু কোন কোন পৰে সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ জনীয়া কমিটি গঠন বিৰোধীৰ

ল'বলৈ আজি হোটেল লিলিত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকত এখন ৫ জনীয়া কমিটি গঠন কৰা হয়। সাংসদ অজিত কুমাৰ ভূঞা, বিধায়ক অখিল গগৈ, অসম সন্মিলিত মঞ্চৰ সম্পাদক লুৰীণজ্যোতি গগৈ, চিপিএমৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰ আৰু জন ইংতি কাথাৰক লৈ গঠন কৰা এই কমিটিখনে বিহালী সমষ্টিৰ উপ-নিৰ্বাচনত অসমৰ প্ৰাৰ্থী সন্দৰ্ভত আলোচনা কৰি এক প্ৰতিবেদন দাখিল কৰিব। অসমৰ আজিৰ বৈঠকখনত নিখিল ভাৰত কংগ্ৰেছৰ অসমৰ দায়িত্বত থকা সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং ডাঙৰীয়াও উপস্থিত আছিল। অসমৰ সভাপতি ভূপেন কুমাৰ বৰাৰ সঞ্চলনাত অনুষ্ঠিত বৈঠকখনত ১৮টা ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। বৈঠকত চিপিএম, চিপিআই, চিপিআইএমএলকে ধৰি একাংশ নেতাই ২০২৬লৈকে মিত্ৰজোঁটৰ শক্তি অটুত ৰাখিবৰ বাবে বিহালী বিধানসভা সমষ্টিটোত চিপিআইএমএলৰ বিবেক দাসক প্ৰাৰ্থিত্ব দিয়াৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বিজেপি চৰকাৰক প্ৰতিহত কৰাৰ স্বাৰ্থত উমৈহতীয়া প্ৰাৰ্থী হিচাপে বিবেক দাসৰ নাম প্ৰস্তাৱ কৰে। একেদৰে অজিত কুমাৰ ভূঞাইয়ো বিজেপিৰ বিৰুদ্ধে শক্তিশালী ভূমিকা গ্ৰহণ কৰাৰ বাবে উমৈহতীয়া প্ৰাৰ্থীৰ পোষকতা কৰে। কংগ্ৰেছ দলৰ হৈ দেৱব্ৰত শইকীয়াই বক্তব্য প্ৰদান কৰে। নিখিল ভাৰত কংগ্ৰেছৰ অসমৰ দায়িত্বত থকা সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙৰ পৰামৰ্শ অনুযায়ী সভা পৰিচালনা কৰা অসমৰ সভাপতি ভূপেন কুমাৰ বৰাই এই সন্দৰ্ভত এখন প্ৰতিবেদন কংগ্ৰেছ হাইকমাণ্ডক দাখিল কৰিবৰ বাবে ওপৰত উল্লেখ কৰা ৫জন নেতাক লৈ কমিটিখন ঘোষণা কৰে। এই কমিটিখনে দুদিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৌনব্ৰত ভংগ! ৰায়ক লৈ

পাছতো বিজেপিৰ নেতা-কৰ্মীয়ে এই বিষয়ত মুখ খোলা নাই। বিজেপিৰ নেতা-কৰ্মীয়ে সততে নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৫৫ চন বিচাৰি ভাষণ প্ৰদান কৰি আহিছে। কিন্তু বিজেপিৰ কথা কোৱা আৰু কামৰ মাজত পাৰ্থক্য আছে। বিজেপিয়ে মুখত অসমত নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৫১ বিচাৰিলেও হাতে কামে কিন্তু ১৯৭১ চন বিচাৰি আদালতত শপতনামা দিছিল। উচ্চতম ন্যায়ালয়ে ১৯৭১ চনৰ ২৫ মাৰ্চক ভিত্তিবৰ্ষ কৰি ৰায়দান কৰাত বিজেপিয়ে নেতাই প্ৰায় ২৪ ঘণ্টাৰ অন্তত মন্তব্য প্ৰদান কৰি এই ৰায়ক মানি লৈছে যদিও এই ৰায় উৎসাহজনক নহয় বুলি কয়। লগতে ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ বিদেশীৰ বোজা ল'বলগীয়া হোৱা বুলি আক্ষেপ প্ৰকাশ কৰিছে। কিন্তু প্ৰকৃততে বিজেপিয়ে আক্ষেপ কৰাৰ থল আছে নে? কিয়নো বিজেপিয়ে গোচৰত শপতনামা দাখিল কৰিছিল। অসম চৰকাৰৰ শপতনামাত ১৯৭১ চন ভিত্তিবৰ্ষ বিচাৰিছিল। ৰাজনীতিৰ স্বাৰ্থত তথা খিলঞ্জীয়াৰ কথ বাৰে বাৰে কোৱা বিজেপিয়ে অসমৰ ৰাইজক অন্ধকাৰত ৰাখি আদালতত ১৯৭১ চনকে ভিত্তিবৰ্ষ বিচাৰিছিল। ১৯৭১ চন বিচাৰি উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰিছিল অসম চৰকাৰে। প্ৰায় ৩০ ঘণ্টাৰ মূৰকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই ৰায়ে অসমত কোনো প্ৰভাৱ নপৰে বুলি দাবী কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে উচ্চতম ন্যায়ালয়ৰ ৰায়ে অসমৰ সমাজ জীৱনত কোনো ডাঙৰ প্ৰভাৱ নেপেলায়। পূৰ্বৰে পৰা যি ভিত্তিবৰ্ষ আছিল তাকেই বাহাল কৰা হৈছে। কিন্তু অসমৰ বহু মানুহে ১৯৫১ চনক ভিত্তি বৰ্ষ কৰাটো বিচাৰিছিল। কিন্তু সকলো বস্তু বিচৰা মতে নাপায়। কিছুমান ১৯৫১ চন নোপোৱাত দুখ কৰিছে আৰু কৈছে যে আমি আৰু কেতিয়াও ১৯৫১ চন নাপাম। কিছুমানে আকৌ ইয়াকো কৈছে যে যি হৈছে হৈছে এই এক বিতৰ্কৰ সমাপ্তি ঘটিছে। এনেধৰণে দুটা ভাগৰ মানুহে মত প্ৰকাশ কৰিছে। আনহাতে, বিজেপিৰ নেতা তথা দৰং-ওদালগুৰি সমষ্টিৰ সংসাদ দিলীপ শইকীয়াই এই ৰায়ক লৈ ধৰ্মীয় সংখ্যালঘুসকলক আক্ৰমণৰ লক্ষ্য কৰি লয়। দিলীপ শইকীয়াই অসমত ১ কোটি বংগদেশীয় মূলৰ মানুহ থকা বুলি কৈ স্বাভাৱিকতে যিসমূহ ধৰ্মীয় সংখ্যালঘু লোক বাংলাদেশৰ পৰা আহিছে সেইসকলক বিদেশী বুলি অভিহিত কৰিছে। বিশেষকৈ ইছলামধৰ্মী লোকসকলক লক্ষ্য কৰি লয় শইকীয়াই। আনহাতে হিন্দু বাংলাদেশীৰ ক্ষেত্ৰত বিপৰীত মন্তব্য প্ৰদান কৰে শইকীয়াই কয় যে ন্যায়ালৰ ৰায়ক আমি সকলোৱে সন্মান কৰিবই লাগিব। ১৯৭১ চনৰ পৰা ১৯৫১ চনলৈ বিদেশীৰ বোজা আমি ল'ব লাগিব। ভাৰত চৰকাৰ আৰু অসম চৰকাৰে গোটেই কথাখিনি চিন্তা কৰিব লাগিব। খিলঞ্জীয়া মানুহৰ যি জনসংখ্যা, ডেমগ্ৰাফিক পেটাৰ্ণ ইত্যাদ বিষয়াৰ লগতে নিৰাপত্তা, সুৰক্ষা, ৰাজনৈতিক অধিকাৰ, ধাৰ্মিক অধিকাৰ, আধ্যাত্মিক, সাংস্কৃতিক বিষয়সমূহ গুৰুত্বসহকাৰে বিবেচনা কৰিব লাগিব। আমি যাতে দ্বিতীয় শ্ৰেণীৰ নাগৰিক বা খিলঞ্জীয়া মানুহৰ জনসংখ্যা বহিৰাগত বা বিদেশীৰ জনসংখ্যাতকৈ কমি নাযায়। ইতিমধ্যে ১ কোটি ২৫ লাখৰ ওচৰ চাপিছে। তাৰ ভিতৰত ২৫ লাখ খিলঞ্জীয়া, ১ কোটি বংগদেশীয় মূলৰ। অসমৰ খিলঞ্জীয়াই নিশ্চয়কৈ এই কথাটো চিন্তা কৰিব লাগিব। এই ৰায় আমাৰ বাবে উৎসাহজনক নহয়। ইয়াৰ দুৰগামী পৰিণাম কি হ'ব সেয়া চিন্তা কৰিব লাগিব। অসমক বিদেশীৰ ঘাটি কৰি থৈছিল কংগ্ৰেছে। বিদেশী বুলি ক'লে স্বাভাৱিকতে ধৰ্মীয় সংখ্যালঘু লোক বাংলাদেশৰ পৰা আহিছে সেইসকল বিদেশী। ইছলামধৰ্মী লোকসকল। ভাৰতবৰ্ষ সকলো হিন্দুৰ গৃহভূমি। আমেৰিকা, পাকিস্তান, বাংলাদেশত হিন্দুৰ কিবা এটা হ'লে আমি ঠাই দিব লাগিবই বুলি কয় দিলীপ শইকীয়াই। এনেদৰে ৰায়ক লৈ এতিয়া অস্বস্তিত পৰা দেখা গৈছে বিজেপি দলক। বিশেষকৈ দলটোৰ কথা আৰু কামৰ মাজত যে পাৰ্থক্য আছে সেয়া জলজল পটপটকৈ ওলাই পৰিছে অসমৰ ৰাইজৰ মাজত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছলৈ! বিজেপি এৰিলে

হিমন্ত পন্থীৰ শীতল যুদ্ধখনো অব্যাহত আছে। কংগ্ৰেছৰ পৰা বিজেপিলৈ অহা নতুন নেতা-কৰ্মীয়ে বিজেপিত আগ্ৰাসন চলোৱাৰ অভিযোগ এতিয়া নতুন নহয়। মুখ্যমন্ত্ৰী পদ, দুই তিনিটা মন্ত্ৰী পদ, দলৰ বিভিন্ন লোভজনক পদবী কংগ্ৰেছৰ পৰা অহা নেতাসকলে দখল কৰি আগ্ৰাসন চলাই থকাৰ মুকলি অভিযোগ আনিছিল কেইবাগৰাকী পুৰণি নেতাই। নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাই বিজেপি ত্যাগ কৰি কংগ্ৰেছ গমন কৰিছিল। তাৰ মাজতে উপ-নিৰ্বাচনৰ টিকট কেন্দ্ৰীক সংঘাতৰ বাবে দল ত্যাগ কৰিছে বিজেপিৰ উত্তৰ অসমৰ যুৱ চেহেৰা জয়ন্ত বৰাই। দীৰ্ঘ চৰ্চাৰ অন্তত আজি জয়ন্ত বৰাই দলৰ ৰাজ্যিক সভাপতি পদত্যাগ পত্ৰ প্ৰদান কৰি দল ত্যাগৰ ঘোষণা কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ উত্তৰ অসমৰ প্ৰভাৱশালী যুৱ নেতা জয়ন্ত বৰাই দলত্যাগৰ ঘোষণা কৰিছে। শুকুৰবাৰে বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত দলীয় টিকট লাভ নকৰাত দলৰ পৰা পদত্যাগ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাক পদত্যাগ পত্ৰ দাখিল কৰে। কংগ্ৰেছ দলত যোগদান কৰাৰ সম্ভাৱনা আছে বুলি চৰ্চা চলিছে। জয়ন্ত বৰাই সংবাদমাধ্যমৰ মুখামুখি হৈ কয় যে যথেষ্ট চিন্তা-চৰ্চাৰ অন্তত মই এই সিদ্ধান্তত উপনীত হৈছো। মই দলৰ সৈতে সম্পৰ্ক শেষ কৰি পৰা আঁতৰি আহিছো যাতে মই মোৰ ব্যক্তিগত বিশ্বাস আৰু লক্ষ্যত অধিক অৰ্থপূৰ্ণ অৱদান আগবঢ়াব পাৰো। বিশ্বনাথত বিজেপিৰ যুৱ নেতাসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টি আকৰ্ষিত কৰিবলৈ বিশেষ প্ৰতিবাদৰ আশ্ৰয় লৈছিল। নাটকীভাৱে মুণ্ডন কৰি বিহালী সমষ্টিৰ বাবে উপ-নিৰ্বাচনত টিকটৰ বাবে জয়ন্ত বৰাৰ নাম বিবেচনা কৰিবলৈ দাবী জনাইছিল। জয়ন্ত বৰাৰ বাবে সমদল পৰ্যন্ত কৰিছিল। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বৰ্তমানৰ বিধায়ক ৰঞ্জিত দত্তৰ জয়ৰ ফলত বিহালী বিধানসভাত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। কংগ্ৰেছে দুদিনৰ ভিতৰত পাঁচটা সমষ্টিত উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰাৰ সম্ভাৱনা আছে। অসমৰ ৫ সমষ্টিত ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৭০০ দিনৰ অন্তত মুকলি আকাশৰ

স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনক। তাৰ পিছৰে পৰাই কাৰাবন্দী হৈ থকা জৈনৰ অৱশেষত জামিন মঞ্জুৰ কৰিছে দিল্লী উচ্চ ন্যায়ালয়ে। পূৰ্বে অনেকবাৰ জামিন আবেদন কৰি আদালতৰ পৰা নিৰাশ লাভ কৰা সত্যেন্দ্ৰ জৈনৰ এইবাৰ আদালতে জামিন মঞ্জুৰ কৰাৰ পিছতে তেওঁৰ মুকলি আকাশলৈ ওলাই অহাৰ পথ প্ৰশস্ত হৈ পৰিছে। আজি আদালতে দিল্লীৰ প্ৰাক্তন মন্ত্ৰীগৰাকীক জামিন প্ৰদান কৰি শেহতীয়াকৈ আন এগৰাকী আপ নেতা মনীষ ছিছ'ডিয়াৰ জামিন মঞ্জুৰ কৰাৰ সময়তে উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ কথা উল্লেখ কৰে। দিল্লী উচ্চ ন্যায়ালয়ে আজি কয় যে অভিযুক্তই দীৰ্ঘদিন ধৰি কাৰাগাৰত আৱদ্ধ হৈ আছে। ক্ষিপ্ৰ বিচাৰ যিকোনো অভিযুক্তৰ মৌলিক অধিকাৰ। প্ৰসংগক্ৰমে ২০২২ চনৰ ৩০ মে'ত তদানীন্তন দিল্লীৰ মন্ত্ৰী সত্যেন্দ্ৰ জৈনক হাৱালাৰ জৰিয়তে অবৈধ ধন সৰবৰাহৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল ইডিয়ে। কেইমাহমান কাৰাবাসৰ অন্তত তেওঁ মন্ত্ৰালয়ৰ পৰা পদত্যাগ কৰে। জেললৈ যোৱাৰ পিছত সত্যেন্দ্ৰই 'অসুস্থ' বুলি দাবী কৰিছিল। কেইমাহমানৰ আগতে তেওঁ জেল কৰ্তৃপক্ষক কৈছিল যে তেওঁ নিসংগতাত ভুগি আছে। মানসিক বিষণ্ণতাই তেওঁক আগুৰি ধৰিছিল। ইফালে কাৰাগাৰত থকা অৱস্থাতে অসুস্থ হৈ পৰে সত্যেন্দ্ৰ জৈন। তিহাৰ জেলৰ শৌচাগাৰত অজ্ঞান হৈ ঢলি পৰাত দিল্লীৰ প্ৰাক্তন মন্ত্ৰীগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হয়। একে সময়তে সত্যেন্দ্ৰই অসুস্থতাৰ কাৰণে উচ্চতম ন্যায়ালয়ত জামিনৰ বাবে আবেদন জনায়। উচ্চতম ন্যায়ালয়ে মঞ্জুৰ কৰে অন্তৰৱৰ্তীকালীন জামিন। যোৱা বছৰৰ মে' মাহত জামিন লাভ কৰি তিহাৰ জেলৰ পৰা ওলাই আহিছিল আপ নেতাগৰাকী। তেওঁৰ অধিবক্তাই আদালতত দাবী কৰা মতে, তেতিয়াৰ পৰা তেওঁ চিকিৎসাধীন হৈ আছে। এই সময়ছোৱাত সত্যেন্দ্ৰৰ অন্তৰ্বৰ্তীকালীন জামিনৰ ম্যাদ কেইবাবাৰো বৃদ্ধি কৰা হয়। কিন্তু চলিত বৰ্ষৰ মাৰ্চ মাহত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত পুনৰ কাৰাগাৰলৈ ঘূৰি আহিবলগীয়া হয় আপ নেতাগৰাকী আৰু তাৰ পিছতে আজি তেওঁৰ জামিন মঞ্জুৰ কৰে দিল্লী উচ্চ ন্যায়ালয়ে।

# মন্ত্ৰী পীয়ুষ হাজৰিকাক খাই পাত ফলা নেতা আখ্যা সাংসদ ৰকিবুল হুছেইনৰ

**ই-সংবাদ, ১৮ অক্টোবৰঃ** চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনলৈ পৰিৱেশ গৰম হৈ পৰিছে। বিজেপি আৰু কংগ্ৰেছ নেতাৰ বাকযুদ্ধই আকৰ্ষণীয় ৰূপ লৈছে। চামগুৰি সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইন আৰু বিজেপি নেতা তথা মন্ত্ৰী ৰকিবুল হুছেইনৰ বাকযুদ্ধ তুংগত উঠিছে। এদিন পূৰ্বে ৰকিবুল হুছেইনে মন্ত্ৰী পীয়ুষ হাজৰিকাৰ বিৰুদ্ধে গুৰুতৰ অভিযেগা উত্থাপন কৰিছিল। তৰুণ গগৈ চৰকাৰৰ কাৰ্যকালত পৰ্যটন বিভাগে বিতৰণ কৰা গাড়ী পীয়ুষ হাজৰিকাই লোৱাৰ লগতে কংগ্ৰেছত টিকট পোৱাত সহায় কৰি দিয়া বুলি কৈছিল। ৰকিবুল হুছেইনৰ এই অভিযোগৰ পাছতে ততাতৈয়াকৈ স্পষ্টীকৰণ দিবলৈ সংবাদমাধ্যমৰ মুখামুখি হয় পীয়ুষ হাজৰিকা। পীয়ুষ হাজৰিকাই ৰকিবুল হুছেইনৰ দাবীক নস্যাৎ কৰি কেতিয়াও গাড়ী লোৱা বুলি দাবী কৰে। হাজৰিকাই কয় যে মই কেতিয়াও গাড়ী লোৱা নাছিলো। মোৰ প্ৰথমে এখন মাৰুটি গাড়ী আছিল। পাছত স্কুৰপিঅ' লৈছিলো। লগতে ৰকিবুল হুছেইনৰ স্মৃতি শক্তি লোপ পোৱা বুলি দাবী কৰিছিল। পীয়ুষ হাজৰিকাৰ প্ৰত্যুত্তৰৰ পিছতে পুনৰ সৰৱ হয় ৰকিবুল হুছেইন। ৰকিবুল হুছেইন এইবাৰ পীয়ুষ হাজৰিকাৰ বিৰুদ্ধে চাহ বাগিচা কিনাৰ পৰা আৰম্ভ কৰি চাহ বাগানৰ ঘৰ ভাঙি পেলোৱাকে ধৰি কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰে ৰকিবুল হুছেইনে। হাজৰিকাৰ স্মৃতি শক্তি লোপ বুলি পোৱা বুলি কোৱা কথাটোত আক্ষেপ প্ৰকাশ কৰি প্ৰত্যুত্তৰত ৰকিবুল হুছেইনে কয় মানুহৰ মাত কথাই মানুহৰ পৰিচয়। মোৰ স্মৃতি শক্তি নাই বুলি কৈছে যেতিয়া সেই উত্তৰটো মই ৰাইজলৈ এৰিছো। ৰাজনৈতিক কথাত ৰাজনৈতিক উত্তৰ দিয়ক। মোৰ স্মৃতি শক্তিৰ কথা কৈছে। এইবিলাক কথা কোনো সুস্থ, কোনো ভদ্ৰ সমাজৰ মানুহে নকয়। এনে কথাৰ উত্তৰ মই নিদিও, এই উত্তৰ ৰাইজে দিব। এনেধৰণৰ কথা-বতৰা এজন মন্ত্ৰীয়ে ক'ব লাগে নে নালাগে। লগতে পীয়ুষ হাজৰিকাই আক্ৰমণৰ বলি হোৱাৰ আশংকা কৰাত উত্ত দি হুছেইনে কয় যে পৃথিৱীৰ এনে সাহস কাৰোবাৰ আছে নেকি? বলৱান মানুহজনক কোনোবাই কিবা কৰিবলৈ। যিজন ব্যক্তিক দেখিলে থৰহৰি কপি যাও। ৰকিবুল হুছেইনে জেলৰ পৰা ওলোৱা কয়দীয়ে শিৰামণি বৰাক আক্ৰমণ কৰাৰ লগতে কোনোমতে ৰক্ষা পৰিল বুলি অভিযোগ আনি কয় যে শিৰামণি মৰাৰ পৰা বাচিলে। এনে পৰ্যায়লৈ গৈ বিধায়ক হ'ব লাগে। কিন্তু ৰাইজে সকলো দেখি আছে। স্বেচ্ছাচাৰী শাসক ইডি আমিনৰ উদাহৰণ দি কয় যে আমিনৰ ফ্ৰিজত কটা মূৰ ওলাইছিল। তেওঁলোক তেজ ভালপোৱা মানুহ। কটা-মৰাৰ কথা কৈ ভাল পায়। মই কি মানুহে নাজানে নেকি? ৰকিবুল হুছেইনে স্মৃতি শক্তি লোপ বুলি কোৱাত প্ৰত্যুত্তৰ দি কয় যে এনেয়ে ১০ লাখ ১৫ লাখ ভোটত জয়ী কৰাইছে নেকি? তেওঁ সিমান ভোট পাব নেকি? মই সেইবোৰ কথা নকও। ভাৰতবৰ্ষৰ নহয় পৃথিৱীৰ ভিতৰতে ৰেকৰ্ড সংখ্যক ভোট পাইছো। আৰু তেওঁ মোৰ স্মৃতি শক্তি কমা বুলি কৈছে। ৰকিবুল হুছেইনে তৰুণ গগৈ চৰকাৰ দিনৰ বিসম্বাদৰ কথা টানি আনি কয় যে যেতিয়া তৰুণ গগৈৰ সৈতে আপোচ কৰা হৈছিল। সেই আপোচ কৰাত আছিল তিনিজন লোক। মই নগাঁৱলৈ গৈছিলো। তেওঁলোক মোৰ ঘৰলৈ গৈ কৈছিল যে অমুকক ফোন কৰি দিব লাগে। আমাক চিণ্ডিকেট কেইটা চলাই থাকিব দিব লাগে। পীয়ূষক খাই পাত ফলা আখ্যা দি এইদৰে কয় ৰকিবুলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সমগ্ৰ ৰাজ্যত আছুৰ বন্তি

ভট্টাচাৰ্য্য, সভাপতি উৎপল শৰ্মা আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেক আজি ব্যাপক আদৰণি জনাই আছুৰ নেতা-কৰ্মীয়ে। আজি উজানবজাৰস্থিত শ্বহীদ ন্যাসত উপস্থিত হোৱা তিনিগৰাকী শীৰ্ষ নেতাক পুষ্পাবৃষ্টি কৰি সন্মান প্ৰদৰ্শন কৰে। লগতে সন্ধিয়া শ্বহীদ ন্যায়স বিশেষ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত হয়। কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা, সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বিভিন্ন আঞ্চলিক সমিতিৰ নেতা-কৰ্মীৰ উপস্থিতিত শ্বহীদ ন্যাসৰ শ্বহীদ বেদীত ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য, উৎপল শৰ্মা আৰু চৰ্জুন হাঞ্চেয়ে অসম আন্দোলনৰ শ্বহীদক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰাক্তন আছুৰ নেতা, বিভিন্ন সমিতিৰ নেতা-কৰ্মীয়ে সকলেও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অসম আন্দোলনক স্মৰণ কৰাৰ লগতে শ্বহীদসকলক স্মৰণ কৰে। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কালিৰ এই ৰায়ক বিজয় আখ্যা দি আছুৰ সভাপতি উৎপল শৰ্মাই কয় যে কালিৰ এই বিজয়ক অসম আন্দোলনৰ শ্বহীসকলৰ স্মৃতিত উচৰ্গা কৰিছো। লগতে শ্বহীদ ন্যাসত বন্তি প্ৰজ্বন কৰা বুলি কয় শৰ্মাই। লগতে এই বিজয় যোৱা চাৰিটা দশকত অসম চুক্তিৰ সপক্ষত নিস্বাৰ্থভাৱে থিয় দিয়া লোকৰসকলৰ বিজয়, সম আন্দোলনৰ সত্বাটোক ভাল পোৱা-বুজি পোৱা প্ৰতিগৰাকী অসমৰ নতুন সন্তানৰ বিজয় বুলিও কয় সভাপতি শৰ্মাই। লগতে শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অংশ লৈ পুনৰ এই ৰায়ক ঐতিহাসিক আখ্যা দি ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে এই ৰায়ে অসম আন্দোলন আৰু অসম চুক্তিৰ ন্যায্যতা খুব বলিষ্ঠভাৱে প্ৰতিপন্ন কৰিলে। উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠৰ ৰায়ে অসম চুক্তিক সাংবিধানিক ন্যায্যতা প্ৰদান কৰিলে। এই ৰায়ে অসম চুক্তি আৰু অসম আন্দোলন যে শুদ্ধ আৰু সত্য তাকো প্ৰমাণ কৰিলে। এতিয়া কেন্দ্ৰ চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ দায়িত্ব এয়াই যে অসম চুক্তিৰ প্ৰতিটো দফা কাৰ্যকৰী কৰি জ্বলন্ত বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান কৰিব লাগিব। বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰাৰ উপায় কি বুলি কৰি ভট্টাচাৰ্যই কয় যে অসম চুক্তিৰ প্ৰতিটো দফা নিৰ্দিষ্ট সময়ৰ ভিতৰত কাৰ্ড়কৰী কৰিব লাগিব। নিৰ্দিষ্ট কাৰ্যসূচী ঠিক কৰিব লাগিব। উজানবজাৰস্থিত শ্বহীদ ন্যাসৰ এই বন্তি প্ৰজ্বলন কাৰ্যসূচীত শ্বহীদসকলক স্মৰণ কৰা হয়। কেৱল গুৱাহাটীতে নহয় আজি সমগ্ৰ অসমত অসম চুক্তিত উল্লেখ থকাৰ দৰেই নাগৰিকত্ব আইনৰ দফা ৬(ক) বাহাল ৰাখি ভিত্তিবৰ্ষ ১৯৭১ৰ সপক্ষে উচ্চতম ন্যায়লয়ে ৰায়দান কৰাত ঐতিহাসিক ক্ষণৰ চিনস্বৰূপে বন্তি প্ৰজ্বলন কৰি জাতীয় শ্বহীদসকলক স্মৰণ কৰে আছুৱে।

## মঙলদৈত শ্বহীদক স্মৰণ কৰি বন্তি প্ৰজ্বলন

**ই-সংবাদ, মঙলদৈ, ১৮ অক্টোবৰঃ** মহামান্য উচ্চতম ন্যায়ালয়ে অসম চুক্তিক মান্যতা প্ৰদান কৰাৰ মাহেন্দ্ৰ ক্ষণত অসম আন্দোলনৰ ৮৬০ গৰাকী শ্বহীদলৈ স্মৰি সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ সহযোগত মঙলদৈ ধৰ্ম নাৰায়ণ চ'কত বৰ পুখুৰী পাৰত বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন বিষয়ববীয়াসকল, অসম আন্দোলনৰ কৰ্মীসকল, দৰং জিলা সাহিত্য সভা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতি, দৰং জিলা মহিলা সমিতি, অসম উন্নতি সভাৰ দৰং জিলা সমিতি আৰু অসম সেনাৰ দৰং জিলা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সকলোৱে মহামান্য উচ্চতম ন্যায়ালয়ৰ ৰায়দানক আদৰণি জনোৱাৰ লগতে অসম চুক্তিৰ প্ৰতিটো দফা দাড়ি-কমাসহ কাৰ্যকৰী কৰিবলৈ ভাৰত চৰকাৰ আৰু অসম চৰকাৰক দাবী জনায়।

## মাজুলীত আছুৰ বন্তি প্ৰজ্বলন

**ই-সংবাদ, মাজুলী, ১৮ অক্টোবৰঃ** ভিত্তিবৰ্ষক লৈ সৰ্বোচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায়ক আদৰণি জনাই আজি মাজুলীতো আছুৰ উদ্যোগত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাজুলীৰ কমলাবাৰীত আছুৱে জাতীয় বীৰ শ্বহীদক সুঁৱৰি বন্তি প্ৰজ্বলনেৰে শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত উপস্থিত থাকে জিলা আছুৰ উপদেষ্টা সূৰ্য কুমাৰ ভূঞা, পবিত্ৰ গোস্বামী, বিতোপন শৰ্মা, অজিত হাজৰিকা, ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া, সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱা, উন্নতি সভাৰ সম্পাদক দুলাল ভূঞা, শিক্ষাকোষৰ সভাপতি ঘনকান্ত নাথকে ধৰি আছুৰ বৰ্তমানৰ আৰু প্ৰাক্তন সতীৰ্থসকল।

## মৰিগাঁৱত আছুৰ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, মৰিগাঁও, ১৮ অক্টোবৰঃ** উচ্চতম ন্যায়ালয়ৰ ১৯৭১ চনৰ ২৪ মাৰ্চক অসমৰ বাবে নাগৰিকত্বৰ ভিত্তিবৰ্ষক বাহাল ৰাখি দিয়া ৰায়দানক আদৰণি জনোৱাৰ লগতে আজি সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাই মৰিগাঁও চহৰস্থিত আছুৰ কাৰ্যালয় তথা গান্ধী ভৱন প্ৰাংগনত অসম আন্দোলনৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰে। জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথে আঁত ধৰা কাৰ্যসূচীত বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে প্ৰাক্তন ছাত্ৰ নেতা মোহন বৰদলৈয়ে। এই কাৰ্যসূচীত অসম আন্দোলনৰ নেতা হৰেন্দ্ৰ বৰা, অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা, অসম সেনাৰ সংগঠক হিমাংশু মহন্ত, কেন্দ্ৰীয় সদস্য অনুপম ভাগৱতী, প্ৰাক্তন আছু নেতা বিৰিঞ্চি শৰ্মা,আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধি, দিব্যজ্যোতি চৌধুৰীৰ লগতে বৰ্তমান আৰু প্ৰাক্তন আছু কৰ্মীসকল উপস্থিত থাকে।

# অজন্তা নেওগৰ স্বামীৰ হত্যাৰ গোচৰৰ অভিযুক্তক হঠাৎ পুনৰ গ্ৰেপ্তাৰ চিবিআইৰ

**ই-সংবাদ, ১৮ অক্টোবৰঃ** মন্ত্ৰী অজন্তা নেওগৰ স্বামীক হত্যাৰ গোচৰৰ অভিযুক্তক পুনৰ গ্ৰেপ্তাৰ কৰিছে কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা চমুকৈ চিবিআয়ে। প্ৰাক্তন কংগ্ৰেছী নেতা তথা মন্ত্ৰী নগেন নেওঁগৰ হত্যাৰ গোচৰৰ অভিযুক্ত অমৰ সিং ওৰফে অৰূপ কোঁৰৰক পুনৰ গ্ৰেপ্তাৰ কৰিছে কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাই। ২০১৩ চনত নিৰ্দোষ সাব্যস্ত হৈ কাৰাগাৰৰ পৰা ওলাই অহা অৰূপ কোঁৰৰক নিশা পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ এটা দলে গোলাঘাটৰ পুলিবৰ বগৰীজেংস্থিত বাসভৱনৰ পৰা অৰূপ কোঁৰৰক গ্ৰেপ্তাৰ কৰিছে। গোলাঘাটতে স্বাস্থ্য পৰীক্ষা কৰি গুৱাহাটী অভিমুখে ৰাওনা হয় চিবিআইৰ দল ১৯অক্টোবৰত গুৱাহাটীৰ আদালতত হাজিৰ কৰি ট্ৰেনজিড ৰিমাণ্ডৰ অনুমতি বিচাৰিব। জানিব পৰা মতে, অৰূপ কোঁৰৰক অসমৰ বাহিৰলৈ নিয়া হ'ব পাৰে। পুনৰ কি কাৰণত হঠাতে গ্ৰেপ্তাৰ কৰা হৈছে সেই কথা জানিব পৰা হোৱা নাই। কিন্তু বহিঃৰাজ্যত সংঘটিত কোনো অপৰাধজনিত ঘটনাত প্ৰাক্তন আলফা নেতাগৰাকীক গ্ৰেপ্তাৰ কৰা বুলি চৰ্চা চলিছে। মন্ত্ৰী অজন্ত নেওঁগৰ স্বামী প্ৰয়াত কংগ্ৰেছ নেতা তথা মন্ত্ৰী নগেন নেওঁগক হত্যাত জড়িত থকাৰ অভিযোগত ১৯৯৬ চনত গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিছিল অৰূপ কোঁৰৰক। ১৯৯৬ চনৰ ৬ মে'ত নগেন নেওগে গোলাঘাটৰ জিলা সদৰৰ পৰা ১৫ কিলোমিটাৰ নিলগৰ বৰাগাঁৱলৈ ঘৰলৈ গৈছিল। সেই সময়ত চৌদিশৰ পৰা কৰা আক্ৰমণত নগেন নেওগ, চালক আৰু পাঁচজন দেহৰক্ষীকে ধৰি আঠজন লোক নিহত হৈছিল। অভিযুক্তসকলে কাৰাগাৰত সময় অতিবাহিত কৰিছিল যদিও পৰ্যাপ্ত প্ৰমাণৰ অভাৱত ২০১৩ চনত নিৰ্দোষী সাব্যস্ত হৈছিল। উল্লেখ্য যে অনুৰূপ এক গোচৰত প্ৰাক্তন মুখ্যমন্ত্ৰী তথা প্ৰয়াত কংগ্ৰেছ নেতা ডাঃ ভূমিধৰ বৰ্মনৰ ওপৰত আক্ৰমণ চলোৱাৰ সন্দেহত অভিযুক্ত হৈ থকা কেবাজনো আলফা নেতাৰ বিৰুদ্ধেও দীৰ্ঘদিন গোচৰ চলি আছিল। কিন্তু প্ৰমাণৰ অভাৱত কিছুদিন পূৰ্বে সেই অভিযুক্তসকলকো গোচৰৰ পৰা ৰেহাই দিছিল আদালতে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ বিৰুদ্ধে মুকলি বিদ্ৰোহত

দিনত ডিজিটেলি আৰম্ভ হৈছে এই বিদ্ৰোহ। ৰাজ্যৰ হাজাৰ হাজাৰ শিক্ষকে বিদ্ৰোহ আৰম্ভ কৰি চৰকাৰী নিৰ্দেশনাত খোলা হোৱাটছএপ গ্ৰুপৰ পৰা আতৰি আহিছে। আজি দিনৰ এক বজাৰ পাছৰে পৰা চৰকাৰৰ নিৰ্দেশিত খোলা হোৱাটছএপৰ গ্ৰুপসমূহৰ পৰা আতৰি আহিছে কেইবা লক্ষাধিক শিক্ষক। হঠাতে চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষকে লোৱা এই সিদ্ধান্তত কি হৈছে টলকিব নোৱাৰিলে ৰাজ্য চৰকাৰ তথা ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে। কিয়নো পূৰ্বে শিক্ষসকলে এনে কৰাৰ ভাবুকি দিছিল যদিও শিক্ষা বিভাগে কঠোৰ সিদ্ধান্ত নল'ব বুলি ভাবি লৈছিল। কিন্তু পূৰ্বে কৰা ঘোষণা অনুসৰি শৈক্ষিক দিনপঞ্জী বহিৰ্ভূত কাম-কাজত অতিষ্ঠ শিক্ষকসকলে হোৱাটছএপ গ্ৰুপ এৰি দিয়ে। শিক্ষকসকলে স্পষ্ট কৰিছে যে আমাক গিনিপিগ সজোৱাতো মানি লোৱা নহ'ব। বাৰে বাৰে সদৌ অসম সন্মিলত শিক্ষক মঞ্চই ৰাজ্য চৰকাৰক সকীয়াই আহিছিল যদিও এইবাৰ হাতে-কামে লাগিছে। প্ৰথম পদক্ষেপ হিচাপে দিনপঞ্জীৰ বাহিৰত জাপি দিয়া কোনো দায়িত্ব পালন নকৰাৰ সিদ্ধান্ত লয়। ১ নৱেম্বৰৰ পৰা দিনপঞ্জীৰ বাহিৰৰ কোনো নিৰ্দেশ পালন নকৰো বুলি স্পষ্ট কৰিছে সদৌ অসম সন্মিলত শিক্ষক মঞ্চই। তাৰ লগে লগে আজিৰে পৰা হোৱাটছএপ গ্ৰুপ এৰিছে শিক্ষসকলে। শিক্ষা বিভাগৰ টোগলকী কাণ্ডত অতিষ্ঠ হৈ শিক্ষকসকলে এই সিদ্ধান্ত লোৱা বুলি দাবী কৰিছে। ছাত্ৰক পাঠদানৰ সুযোগ নিদি প্ৰশিক্ষণ, উৎসৱ আদিৰ দৰে নিতৌ নতুন নতুন অতিৰিক্ত দায়িত্ব দিয়াত অতিষ্ঠ শিক্ষকসমাজে শিক্ষাবিভাগৰ নিৰ্দেশত ক্ৰিয়েট কৰা হোৱাটছএপ গ্ৰুপৰ পৰা নিজকে ৰিমোভ কৰি গৈছে। দুদিন পূৰ্বে সংগঠনটোৰ সভাপতি দ্বিপেন শৰ্মা, মুখ্য সম্পাদক উৎপল চক্ৰৱৰ্তীয়ে এই কথা স্পষ্ট কৰিছিল। প্ৰকাশ কৰা এক বিবৃতি যোগে সদৌ অসম সন্মিলত শিক্ষক মঞ্চই দুটা বৃহৎ সিদ্ধান্ত লোৱাৰ কথা প্ৰকাশ কৰিছিল। প্ৰথমটো সিদ্ধান্ত হৈছে ১৮ অক্টোবৰ অৰ্থাৎ আজি ১ বজাৰ পৰা শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী, সমল কেন্দ্ৰৰ সমন্বয়কসকলৰ সৈতে সংযুক্ত হৈ থকা হোৱাটছএপ গ্ৰুপৰ পৰা সকলো শিক্ষকে ওলাই আহিব। একেদৰে ১ নৱেম্বৰৰ পৰা দিনপঞ্জীৰ বাহিৰৰ জাপি দিয়া কাম কৰাৰ পৰা বিৰত থাকিব। শিক্ষকে অভিযোগ উত্থাপন কৰি কয় যে আজি শিক্ষকক অতিৰিক্ত কাম দি অহাৰ ফলত শিক্ষক সমাজ কোঙা হৈছে। শিক্ষাদানক ধোঁৱাচাঙত তুলি শৈক্ষিক দিনপঞ্জীক অৰ্থহীন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীক গিনিপিগ সজোৱা হৈছে। সংগঠনটোৱে চৰকাৰৰ বিৰুদ্ধে ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংস কৰিব খোজাৰ মুকলি অভিযোগ উত্থাপন কৰে। শৈক্ষিক পৰিৱেশৰ দোহাই দি সন্মিলনীয়ে কয়ে যে শিক্ষাদান আৰু শিক্ষাগ্ৰহণ মানসিক চাপত ৰাখি কৰা কাম নহয়। কিন্তু সমগ্ৰ শিক্ষা অভিযানে সকলো প্ৰকাৰৰ শিক্ষক আৰু ছাত্ৰক মানসিকভাৱে হতাশাগ্ৰস্ত কৰিছে। পূজাৰ বন্ধ চলি থকাৰ সময়তো শিক্ষকক বিভিন্ন কামৰ নিৰ্দেশ দিয়া হৈছে। কিন্তু শিক্ষা বিভাগে অভ্যাসন, মূল্যায়ন বহী যোগান ধৰিব পৰা নাই। নতুন বৰ্ষৰ ছয়মাহ পাৰ হৈ যোৱাৰ পিছতো সমগ্ৰ শিক্ষাই সকলো মাধ্যমৰ শিক্ষাৰ্থীক পাঠ্যপুথি যোগান ধৰিব পৰা নাই। কিন্তু শিক্ষক-শিক্ষাৰ্থীক নিৰ্দেশনা দিবলৈ এৰা নাই বিভাগটোৱে। ছাত্ৰ-ছাত্ৰী, শিক্ষকক ইটো কৰ সিটো কৰ বুলি নিৰ্দেশ দি আহিছে। এফএলএ প্ৰশিক্ষণ, অমৃত বৃক্ষ, বিদ্যাঞ্জলি উৎসৱ, শিক্ষা সপ্তাহ, ৰচনা আৰু শ্ল'গান লিখা প্ৰতিযোগিতা, শিকণ-শিক্ষণ সামগ্ৰী দিৱস, ইচিচিআই প্ৰশিক্ষণ, সম্প্ৰীতি ভোজন, হৰ ঘৰ ত্ৰিৰংগা, মহাকাশ দিৱস, স্বচ্ছতা পখেক, বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰশিক্ষণ-সভা, বীৰগাথাৰ কাৰ্যসূচী, ইউ ডাইচৰ কাম, কলা উৎসৱ, খেল মহাৰণ, নিযুত মাইনা আঁচনিত উপস্থিত থকাৰ দৰে কাৰ্যসূচীত অংশ ল'বলগীয়া হৈছে শিক্ষক আৰু শিক্ষাৰ্থীয়ে। এনে কাৰ্যসূচীৰ নিৰ্দেশসমূহ হোৱাটছএপ গ্ৰুপত আহে। যাৰ বাবে হোৱাটছএৰ গ্ৰুপসমূহ ত্যাগ কৰাৰ সিদ্ধান্ত লৈছে শিক্ষকসমাজে। প্ৰতিটো কাৰ্যসূচীৰ ফটো-ভিডিঅ' শিক্ষানুষ্ঠান কৰ্তৃপক্ষই গ্ৰুপত আৰু এপত দিবলগীয়া হয়। কিন্তু শিক্ষা বিভাগে যোগান ধৰা টেবলেটত হোৱাটছএপ খুলিব নোৱাৰি। শিক্ষকে নিজৰ মোবাইলৰ পৰা ফটো-ভিডিঅ'সমূহ প্ৰেৰণ কৰিবলগীয়া হয়। ইণ্টাৰনেটৰ ডাটাৰ খৰছ বহন নকৰে শিক্ষা বিভাগে। এনে নিৰ্দেশনাত বিতুষ্ট শিক্ষসকলে আনিছে এক গুৰুতৰ অভিযোগ। তেওঁলোকে কয় যে ওপৰৱালা বিষয়াই হঠাতে গ্ৰুপত নিৰ্দেশ দি এক ঘণ্টাৰ ভিতৰত কাম কৰিবলৈ কয়। বিদ্যালয়লৈ শিক্ষাৰ্থীক শিক্ষাদান কৰিবলৈ অহা শিক্ষকজনে শ্ৰেণীকোঠা এৰি সেই কাম কৰিবলৈ লৰ দিবলগীয়া হয়। যাৰ ফলত শিক্ষাৰ্থীসকলৰ বৃহৎ ক্ষতি হৈছে। আনহাতে, শিক্ষা বিভাগৰ এপ আজিলৈ সক্ৰিয় হোৱা নাই বুলিও অভিযোগ আনে শিক্ষকসমাজে। এনে হঠাকৰী কাৰুকাৰ্যত অতিষ্ঠ শিক্ষকসকলে পূৰ্বে লোৱা সিদ্ধান্ত মৰ্মে আজি হোৱাটছএপ গ্ৰুপৰ পৰা আতৰি আহে। অতিৰিক্ত দায়িত্ব নিদিবলৈ সকীয়াই দি শিক্ষকসমাজে কয় যে যদি আমাক শৈক্ষিক দিনপঞ্জীত নথকা বাহিৰৰ কাম জাপি দিয়া হয় তেন্তে আন্দোলন কৰিবলৈ বাধ্য হ'ম।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম এৰি ঝাৰখণ্ডত ব্যস্ত

মাজত আসন ভাগ বাটোৱাৰত ব্যস্ত কেইবাটাও দল। মহাৰাষ্ট্ৰত ইণ্ডিয়া মিত্ৰজোঁট আৰু এনডিএ মিত্ৰজোঁটৰ আসন ভাগ-বাটোৱাৰা সম্পূৰ্ণ হোৱা নাই যদিও ঝাৰখাণ্ডত আসনৰ ভাগ-বাটোৱাৰা সম্পূৰ্ণ কৰিছে এনডিএ মিত্ৰজোঁটে। ঝাৰখণ্ডত এনডিএৰ আসন ভাগ-বাটোৱাৰাত মুখ্য ভূমিকা পালন কৰিছে অসম মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। হিমন্ত বিশ্ব শৰ্মাক বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই সহ-তত্বাৱধায়ক নিয়োগ কৰাৰ পাছৰে পৰা ঝাৰখাণ্ডৰ ৰাজনীতিত ব্যস্ত হৈ পৰিছে হিমন্ত বিশ্ব শৰ্মা। সপ্তাহত কমেও দুবাৰ ঝাৰখণ্ড ভ্ৰমণ কৰি বিৰোধী কংগ্ৰেছ আৰু ঝাৰখাণ্ড মুক্তি মৰ্চাৰ কেইবাগৰাকী নেতাক বিজেপিত যোগদান কৰাইছে। ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেণক বিজেপিত যোগদান কৰাই হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় ৰাজনীতিত খোপনি পুতিছে। ইপিনে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতে ঝাৰখণ্ডত মিত্ৰজোঁটৰ দলৰ মাজত আসন ভাগ-বাটোৱাৰা কৰা হৈছে। ঝাৰখণ্ডৰ নিৰ্বাচনৰ ফলাফল হিমন্ত বিশ্ব শৰ্মাৰ বাবে অগ্নিপৰীক্ষা স্বৰূপ হৈ পৰিব। কিয়নো ঝাৰখণ্ডত হিমন্ত বিশ্ব শৰ্মাই হিন্দুত্ববাদৰ ৰাজনীতিৰ প্ৰৱেশ ঘটাইছে। দলিত, আদিবাসী বহুল ৰাজ্যখনত হিমন্ত বিশ্ব শৰ্মাই হিন্দুত্ববাদৰ প্ৰয়োগ শালা কৰাত নিৰ্বাচনৰ ফলাফল বিজেপিৰ অনুকূলে যাব নে নাই সেয়া ঘোষণাৰ পাছত জানিব পৰা যাব। যদি ফলাফল বিজেপিৰ অনুকূলে নাযায় তেন্তে হিমন্ত বিশ্ব শৰ্মাক লৈ দলৰ ভিতৰত প্ৰশ্ন উত্থাপন যে হ'ব সেয়া সহজেই অনুমেয়। কিয়নো বিজেপিত পুৰণি নেতাই গুৰুত্ব নোপোৱা আৰু কংগ্ৰেছ এৰি যোৱা নেতাই গুৰুত্ব পোৱা বিষয়টোক লৈ প্ৰায়ে চৰ্চা হয়। তেনে এগৰাকী নেতা হৈছে হিমন্ত বিশ্ব শৰ্মা। হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ এৰি বিজেপিলৈ যোৱা নেতা আৰু বিজেপিৰ বহু পুৰণি নেতাই নোপোৱা গুৰুত্ব তেওঁ লাভ কৰিছে। মুখ্যমন্ত্ৰী পদ, ঘনিষ্ঠসকলক মন্ত্ৰীত্ব দিছে। তেনে অৱস্থাত যদি বিজেপিৰ হাতৰ পৰা ঝাৰখাণ্ড দ্বিতীয়বাৰ ওলাই যায় তেন্তে একাংশ বিজেপিৰ নেতাই হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি আঙুলি টোৱাব। সেয়েহে ঝাৰখণ্ডৰ ফলাফল হিমন্ত বিশ্ব শৰ্মাৰ বাবে অগ্নিপৰীক্ষা। আজি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাঁচীত সংবাদমেলত সম্বোধন কৰি বিজেপি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটৰ আসন ভাগ-বটোৱাৰা চূড়ান্ত হৈছে বুলি উল্লেখ কৰিছে। বিজেপিয়ে ৬৮ খন, বিহাৰৰ শাসকীয় জনতা দল ইউনাইটেডক দুখন, বিহাৰৰ চিৰাগ পাছৱানৰ দল এলজেপিক এখন আৰু অল ঝাৰখাণ্ড ষ্টুডেণ্ট ইউনিয়ন চমুকৈ এজেএছইউক ১০ খন আসন প্ৰদান কৰাৰ কথা উল্লেখ কৰিছে হিমন্ত বিশ্ব শৰ্মাই। নীতিশ কুমাৰৰ দলে তমাৰ আৰু পশ্চিম জামছেদপুৰ আসন প্ৰতিদ্বন্দ্বিতা কৰিব। এলজেপিয়ে চাত্ৰা আসনখনত প্ৰতিদ্বন্দ্বিতা কৰিব। গোমিয়া, ৰামগড়, মনোহৰপুৰ, জুগছালাই, ইচাগড়, দুমৰী, তামাৰ, চিলি, পাকুৰ আৰু বৰকাগাঁও প্ৰতিদ্বন্দ্বিতা কৰিব এজেএছইউকেয়ে। ঝাৰখণ্ড বিধানসভাৰ ৮১ খন আসনত ১৩ আৰু ২০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ঝাৰখণ্ডত ইয়াৰ পূৰ্বৰ বিধানসভা নিৰ্বাচনত ৪৫ খন আসন লাভ কৰিছিল ইণ্ডিয়া মিত্ৰজোঁটে। ৩০ খন আসন লাভ কৰিছিল বিজেপিয়ে। এইবাৰ বিজেপি মিত্ৰজোঁটে কিমান আসন লাভ কৰে সেয়া হ'ব লক্ষণীয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে হিমন্ত বিশ্ব শৰ্মাই কৰ্ণাটক আৰু তেলেংগানাতো ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছিল যদিও ৰাজ্য দুখনত আশা কৰা ফল লাভ কৰা নাছিল বিজেপিয়ে। ইফালে ঝাৰখণ্ডত কংগ্ৰেছে দায়িত্ব প্ৰদান কৰিছে হিমন্ত বিশ্বৰ প্ৰতিদ্বন্দী স্বৰূপ সাংসদ গৌৰৱ গগৈক।

# হাজোৰ ধোপৰগুৰিত ভয়ংকৰ পথ দুৰ্ঘটনা



**ই-সংবাদ, হাজো, ১৮ অক্টোবৰঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত ধোপৰগুৰিত আজি বিয়লি প্ৰায় তিনি বজাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। নলবাৰীৰ দিশৰ পৰা আহি থকা এএছ ০১ ডিজে ১৮১৭ নম্বৰৰ চাৰিচকীয়া চেন্ট্ৰ' বাহন এখনে আন এখন বাহনক অতিক্ৰম কৰিবলৈ গৈ বিপৰীত দিশৰ পৰা আহি থকা এখন টেম্পোত প্ৰচণ্ড জোৰেৰে মুখামুখিকৈ খুন্দা মাৰে। স্কুলীয়া ছাত্ৰ-ছাত্ৰী কঢ়িয়াই অনা টেম্পোখন মুহূৰ্ততে ভাঙি চুৰমাৰ হোৱাৰ লগতে বাহনখনত থকা কণকণ ছাত্ৰ-ছাত্ৰীসকল গুৰুতৰভাৱে আহত হয়। লগে লগে স্থানীয় ৰাইজে দুৰ্ঘটনাগ্ৰস্ত টেম্পোখনৰ পৰা স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰ কৰে। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে টেম্পো চালকজন আৰু সন্মুখত বহি অহা এজন ছাত্ৰ বহু সময় বাহনখনতে আৱদ্ধ হৈ পৰে। পিছত স্থানীয় ৰাইজে টেম্পো বাহনখন কাটি চালকৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উলিয়াই হাজোৰ বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্ত্তি কৰায়। হাজো এফ আৰ ইউত প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ পিছত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলৰ দুই-এজনক ততাতৈয়াকৈ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য মতে চেন্ট্ৰ' বাহন খনে তীব্ৰবেগেৰে অতিক্ৰম কৰিবলৈ লোৱাৰ ফলতে এই ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকল হাজো মডাৰ্ণ ইংলিছ মিডিয়াম হায়াৰ চেকেণ্ডেৰী স্কুলত অধ্যয়নৰত বুলি জানিব পৰা গৈছে।

## পাঁচটা সমষ্টিতে জয়ী হ'ব মিত্ৰজোঁটঃ অশোক সিংঘল

# ছিদলীৰ উপ নিৰ্বাচন, ছালাকাটিত মিত্ৰজোঁটৰ সভা

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ অক্টোবৰঃ** উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে আজি কোকৰাঝাৰ জিলাৰ অন্তৰ্গত তথা ছিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত ছালাকাটি ব্লক ইউপিপিএলৰ কাৰ্যালয়ত মিত্ৰজোঁট বিজেপি, অগপ আৰু ইউপিপিএলৰ এক যৌথ বৈঠক অনুষ্ঠিত হয়। মূলত আগন্তুক ছিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ অনুষ্ঠিত হোৱা উক্ত বৈঠকত চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘল, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, ইউপিপিএলৰ বিধায়ক লৰেঞ্চ ইছলাৰী, বিটিচিৰ কাৰ্যবাগী সদস্য ক্ৰমে ড° নিলুৎ স্বৰ্গীয়াৰী, উকীল মুছাহাৰী, ইউপিপিএলৰ সাধাৰণ সম্পাদক (সাংগঠনিক) মাধৱ ছেত্ৰী আৰু জিলা অগপৰ নেতৃবৰ্গ উপস্থিত থাকে। উক্ত সভাত উপস্থিত থাকি চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘলে কয় যে এনডিএৰ প্ৰাৰ্থীক বিপুল ভোটত জয়যুক্ত কৰাৰ লক্ষ্যৰে আজি ইউপিপিএল-অগপ আৰু বিজেপিৰ যৌথ বৈঠকখন অনুষ্ঠিত হৈছে। সকলোৱে মিলি আমি নিৰ্বাচনত অংশগ্ৰহণ কৰিম আৰু উপ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া পাঁচটা সমষ্টিতে আমি জয়লাভ কৰিম বুলি দাবী কৰিছে মন্ত্ৰী অশোক সিংঘলে। ইপিনে সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত মন্ত্ৰী অশোক সিংঘলে কয় যে নিৰ্বাচনত প্ৰত্যাহ্বান থাকিবই। প্ৰত্যাহ্বান নাথাকিলে ঘৰত বহি নিৰ্বাচন খেলিলেহেতেন। নিৰ্বাচনৰ পূৰ্বে ভোট ভিক্ষা কৰিব লাগিব, ভাল কামৰ বিষয়ে ৰাইজক অৱগত কৰাব লাগিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বহুতো ভাল কাম হৈছে আৰু সেয়ে ৰাইজে মিত্ৰজোঁটৰ প্ৰাৰ্থীকে ভোট দিব বুলি মন্তব্য কৰিছে অশোক সিংঘলে। মিত্ৰজোঁটৰ যৌথ সভাত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় যে ছিদলী সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা ইউপিপিএল দলৰ প্ৰাৰ্থীগৰাকীয়ে অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰিব। ছিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ কোনো চিন্তাৰ কাৰণ নাই আৰু ৰাজ্যৰ পাঁচটা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে পাঁচটা সমষ্টিতে জয়লাভ



কৰিব বুলি দাবী কৰিছে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। আনহাতে প্ৰমোদ বড়োৰ পূৰ্বৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা বৰ্তমানৰ অসম ফুটবল সন্থাৰ সাধাৰণ সম্পাদক সাংগ্ৰাং ব্ৰহ্মই বিপিএফত যোগদান কৰিব বুলি চৰ্চা লাভ কৰা সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নোত্তোৰত প্ৰমোদ বড়োৱে কয় যে এই সন্দৰ্ভত তেওঁ একো নাজানে আৰু তেওঁৰ হাতত একো তথ্য নাই। আনহাতে কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে সংবাদমাধ্যমৰ আগত কয় যে ছিদলী সমষ্টিৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ ছালাকাটি পৰিষদীয় সমষ্টিত প্ৰায় ৩৫ হাজাৰ ভোটাৰ আছে । উপ-নিৰ্বাচনৰ আগত মিত্ৰজোঁটে কেনেকৈ যৌথভাৱে কাম কৰিব তাকে লৈ আজিৰ আলোচনা অনুষ্ঠিত হোৱা বুলি সদৰি কৰি বিধায়ক লৰেঞ্চ ইছলাৰীয়ে দুই-এদিনৰ ভিতৰতে প্ৰাৰ্থী ঘোষণা কৰা হ'ব বুলি মন্তব্য কৰিছে। তদুপৰি উপ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া পাঁচটা বিধানসভা সমষ্টিতে মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিপুল ভোটত জয়লাভ কৰিব বুলি মন্তব্য কৰিছে বিধায়ক লৰেঞ্চ ইছলাৰীয়ে।


# ঐতিহাসিক ফুলগুৰি ধেৱা দিৱসত কৃষক শ্বহীদক স্মৰণ

**ই-সংবাদ, মৰিগাঁও, ১৮ অক্টোবৰঃ** ইতিহাস বিজড়িত নগাঁও জিলাৰ ফুলগুৰিত আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় ঐতিহাসিক ফুলগুৰি ধেৱা স্মৃতি দিৱস। ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত অনুষ্ঠিত কৰা এই ফুলগুৰি ধেৱা দিৱস উপলক্ষে পুৱাৰ ভাগত পতাকা উত্তোলন, ধেৱা স্মৃতি বেদীত বন্তি প্ৰজ্বলনৰ লগতে এটি স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অসমৰ প্ৰথম কৃষক বিদ্ৰোহৰ সূচনা হোৱা ৰহাৰ সমীপৰ এই ফুলগুৰিত ১৮৬১ চনৰ ১৮ অক্টোবৰ দিনটোতে ব্ৰিটিছৰ অন্যায়মূলক কৰ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ ব্ৰিটিছৰ গুলীত প্ৰাণাহুতি দিছিল ৰহা অঞ্চলৰ দুকুৰিতকৈয়ো অধিক চহা কৃষকে। আনহাতে চিৰ কাললৈ ঘূণীয়া হৈছিল শতাধিক সহজ-সৰল কৃষক ইংৰাজৰ অন্যায় কৰ নীতিৰ বিৰুদ্ধে ৰাইজমেলৰ জৰিয়তে স্বাধীন-চিতিয়া হুজা কৃষকৰ এই স্বতঃস্ফূৰ্ত বিদ্ৰোহ ফুলগুৰি ধেৱা হিচাপে চিহ্নিত হৈ ৰ'ল। সেই কৃষক শ্বহীদসকলক সোঁৱৰণৰ বাবে প্ৰতি বছৰে ১৮ অক্টোবৰত ৰহাৰ ফুলগুৰিত অনুষ্ঠিত কৰা হয় ফুলগুৰি ধেৱা দিৱস। উল্লেখ্য যে, ভাৰতৰ স্বাধীনতা আন্দোলনতো ব্যাপক প্ৰভাৱ পেলোৱা এই ফুলগুৰি ধেৱা দিৱসটিয়ে আজিও চৰকাৰী পৃষ্ঠপোষকতা লাভ নকৰটো দুভাগ্যজনক বুলি বিবেচিত হোৱাৰ লগতে বিভিন্ন মহলে ক্ষোভ প্ৰকাশ কৰিছে।

## ব্লেকমেইলিং! বিখ্যাত স্কটিছ চাহাবৰ কন্যাৰ দুৰ্গতি

# দুষ্ট চক্ৰই ডুমডুমাৰ বৃদ্ধাৰ পৰা সৰকালে ৫৮ লাখ টকা

**ই-সংবাদ, ডুমডুমা, ১৮ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিং লাচিত নগৰ জোনাকী পথৰ নিবাসী নুৰালা বৰঠাকুৰ নামৰ ৬৬ বছৰীয়া এংলো ইণ্ডিয়ান বৃদ্ধাৰ বেংক একাউণ্টৰ পৰা এটা ৰাষ্ট্ৰীয় দুষ্ট চক্ৰই কৌশলেৰে ৫৮ লাখ টকা লুট কৰাৰ ঘটনাই সমগ্ৰ তিনিচুকীয়া জিলাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ সন্দৰ্ভত লাভ কৰা তথ্য অনুসৰি, যোৱা ৫ অক্টোবৰত বৃদ্ধাগৰাকীয়ে তিনিচুকীয়া চহৰৰ চিৰাপট্টিস্থিত ফেডাৰেল বেংকৰ যোগেদি আৰটিজিএছ পদ্ধতিৰে গুৰ্জৰ ট্ৰেন্সপৰ্ট নামৰ কোম্পানীটোৰ মাৰ্টা চিটিস্থিত য়েছ বেংকৰ একাউণ্ট নম্বৰত ৪৯ লাখ টকা জমা কৰাৰ বিপৰীতে ১৪ অক্টোবৰত ৰূপাই কাক' ৰোডস্থিত ষ্টেট বেংকৰ শাখাত একেই পদ্ধতিত মা সমলাৰ মেডিকেল ষ্টোৰৰ বন্ধন বেংকৰ ৰঙালী শাখাৰ একাউণ্টত ৯ লাখ টকা জমা কৰে। ঘটনাৰ সন্দৰ্ভত বৃদ্ধাগৰাকীয়ে সংবাদ মাধ্যমৰ আগত জানিব দিয়া অনুসৰি, প্ৰৱঞ্চক চক্ৰটোৱে বৃদ্ধাগৰাকীৰ বেংক একাউণ্টত থকা ধনখিনি 'ক'লা ধন' বুলি দাবী কৰি বিভিন্ন ধৰণৰ কথা কৈ ব্যতিব্যস্ত কৰি আহিছিল। টকা আদায় নিদিলে দুষ্ট চক্ৰটোৱে বৃদ্ধাগৰাকীক আইনী মেৰপেছত পেলোৱাৰ ভাবুকি দিয়াৰ উপৰিও মুম্বাই আৰক্ষী থানাৰ পৰা আৰক্ষীৰ পোচাক পৰিহিত ফটো সম্বলিত এগৰাকী আৰক্ষীৰ ফোনকল অহা বুলিও সংবাদ মাধ্যমক অৱগত কৰে বৃদ্ধা গৰাকীয়ে। ক'লা ধন বগা কৰাৰ কৌশল বুলি বিভিন্ন পন্থা দেখুৱাই বৃদ্ধাগৰাকীৰ বেংক একাউণ্টৰ পৰা দুটা কিস্তিত এনেদৰে ৫৮ লাখ টকা সৰকাবলৈ সক্ষম হয় দুষ্ট চক্ৰটোৱে। দুষ্ট চক্ৰটোৰ প্ৰৱঞ্চনাৰ জালত পৰি সৰ্বস্বান্ত হোৱা বৃদ্ধাগৰাকীয়ে অৱশেষত স্থানীয় ডুমডুমা আৰক্ষীৰ কাষ চাপিবলৈ বাধ্য হোৱাতহে ঘটনাটো পোহৰলৈ আহে। ঘটনা সন্দৰ্ভত সবিশেষ বিৱৰি বৃদ্ধাগৰাকীয়ে ডুমডুমা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। যিসময়ত ৰাজ্যত বহুতো লোক দুষ্ট চক্ৰৰ কবলত পৰি দেউলীয়া হ'বলগীয়া হৈছে, তেনে সময়তে এটা ৰাষ্ট্ৰীয় চক্ৰৰ কবলত পৰি ডুমডুমাৰ এগৰাকী বৃদ্ধা সৰ্বস্বান্ত হ'বলগীয়া হোৱাটোত ৰাইজ



যথেষ্ট চিন্তিত হৈ পৰিছে। উল্লেখ্য যে, নুৰালা বৰঠাকুৰ হৈছে বিখ্যাত স্কটিছ চাহাব প্ৰয়াত ডেনিচ অ'কনাৰৰ কন্যা। এসময়ৰ ডুমডুমা টী কোম্পানীৰ অধীনস্থ ৰাৱেণৰ গ্ৰুপ ইঞ্জিনিয়াৰ (জেনেৰেল মেনেজাৰৰ পিছতে স্থান), পিছলৈ ৰাৱেণ কোম্পানীৰ শীৰ্ষ বিষয়া জেনেৰেল মেনেজাৰৰ পদবীৰ পৰা অৱসৰ লোৱা মিঃ অ'কনাৰ চাহাবে অৱসৰৰ পিছত বাংলাদেশৰ বাগ্ৰোদিয়া নামৰ কোম্পানীটোৰো পৰিচালনাৰ গুৰি ধৰিছিল। এই বিখ্যাত মিঃ অ'কনাৰ চাহাবৰ সুশিক্ষিতা কন্যা নুৰালাই ৰূপাই চাইডিংস্থিত অ'কনাৰ চাহাবৰ বিখ্যাত বাংলোটোৰ এটা বৰ্ধিত অংশত বসবাস কৰি আছে দীৰ্ঘদিনৰ পৰা। বৰঠাকুৰ উপাধিৰ এগৰাকী বাগিচাৰ বিষয়াৰ সৈতে বিবাহ হোৱা নুৰালা বৰঠাকুৰৰ দুগৰাকী কন্যাও উচ্চশিক্ষিতা। ডাঙৰ জোঁৱায়েক বিদেশত কৰ্মৰত। বৃটিছ চাহাবৰ এগৰাকী সুশিক্ষিতা কন্যা হৈয়ো দুষ্ট চক্ৰৰ কবলত পৰি সৰ্বস্বান্ত হোৱা নুৰালা বৰঠাকুৰৰ লগত সংঘটিত হোৱা এনে ঘটনা ডুমডুমাৰ ইতিহাসত এক নোহোৱা-নোপোজা ঘটনা হিচাপে চিহ্নিত হৈছে।

# নগাঁও ছোঃ মহাবিদ্যালয়ত অভিনৱ 'গজল সন্ধ্যা'ৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১৮ অক্টোবৰঃ** অতীজৰে পৰা সাংস্কৃতিক ক্ষেত্ৰখনত সংগীতে এক বিশেষ স্থান অধিকাৰ কৰি আছে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে বৰ্তমান সংগীতৰ ক্ষেত্ৰখনলৈও বহুখিনি পৰিৱৰ্তন আহি পৰিছে। পিছে সংগীতৰ ক্ষেত্ৰখনত যিমানেই পৰিৱৰ্তন নাহক লাগে 'গজল'ৰ এক সুকীয়া মাদকতা আছে। ইয়াৰ মধুৰ সুৰ আৰু কথাই প্ৰতিজন সংগীতপ্ৰেমীক অনন্য সোৱাদ দিবলৈ সক্ষম হয়। কিন্তু বৰ্তমান সময়ত এই গজলৰ চৰ্চা কম পৰিমাণেহে হোৱা দেখা যায়। সেয়ে নৱ-প্ৰজন্মৰ মাজত গজলৰ প্ৰসাৰৰ লগতে ইয়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে অহা ২০ অক্টোবৰত নগাঁও ছোৱালী মহাবিদ্যালয়ত সোণাইপৰীয়া শাখা কবি সন্মিলন আৰু সোণাইপৰীয়া শিল্পী মঞ্চৰ যৌথ উদ্যোগত এটি "গজল সন্ধ্যা"ৰ আয়োজন কৰা হৈছে। নগাঁও ছোৱালী মহাবিদ্যালয়, সুনীল শইকীয়া সংগীত মহাবিদ্যালয় আৰু ষ্টাৰলেব ডায়েগ্ন'ষ্টিকৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠিত হ'বলগীয়া এই "গজল সন্ধ্যা"টি সন্ধিয়া ৬ বজাৰ পৰা আৰম্ভ হ'ব। এক অভিনৱ চিন্তা আৰু পৰিকল্পনাৰে আয়োজন কৰা এই "গজল সন্ধ্যা"ত ৰাজ্যৰ কেইবাজনো নবীন-প্ৰবীণ কণ্ঠশিল্পীয়ে কণ্ঠ নিগৰোৱাৰ লগতে আন বহুকেইগৰাকী নিপুন বাদ্যশিল্পীয়ে বাদ্য সংগত কৰিব বুলি উদ্যোক্তা সমিতিৰ হৈ সঞ্জীৱ সাগৰ চৌধুৰীয়ে জানিবলৈ দি সকলো সংগীতপ্ৰেমী লোকেক উক্ত দিনা নিৰ্ধাৰিত সময়ত উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ অনুৰোধ জনাইছে।

# তিনিচুকীয়াত গাঁও পঞ্চায়তৰ সীমা নিৰ্ধাৰণৰ চূড়ান্ত তালিকা প্ৰকাশ

**ই-সংবাদ, ডুমডুমা, ১৮ অক্টোবৰঃ** শাসনাধিষ্ঠিত বিজেপি চৰকাৰে অসমৰ বিধানসভা সমষ্টিৰ সীমা নিৰ্ধাৰণৰ পাছতে গাঁও পঞ্চায়তৰ সীমা নিৰ্ধাৰণ কৰাক লৈ প্ৰস্তুতি চলোৱাৰ সময়ত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সমান্তৰালকৈ তিনিচুকীয়া জিলাৰ বাঘজান গাঁও পঞ্চায়তৰ সীমা নিৰ্ধাৰণক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল বৃহত্তৰ অঞ্চলটোৰ ৰাইজে। কিয়নো চৰকাৰে বাঘজান গাঁও পঞ্চায়তৰ নাম কৰ্তন কৰি গটং গাঁও পঞ্চায়তত অন্তৰ্ভুক্ত কৰিবলৈ লোৱাক লৈ বাঘজান গাঁও আৰু বাঘজান চাহ বাগিচাৰ বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল-সংগঠনে বিভাগীয় কৰ্তৃপক্ষক সাক্ষাৎ কৰি বহু আবেদন-নিবেদন কৰাৰ পাছতো কোনো ফল নধৰাত উপায়ন্তৰ হৈ অৱশেষত তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত বাঘজান গাঁও পঞ্চায়ত বাহালৰ দাবীত এক বৃহৎ সমদলেৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। উক্ত প্ৰতিবাদত একপ্ৰকাৰ সেও মানি চৰকাৰে শেহতীয়াকৈ প্ৰকাশ কৰা গাঁও পঞ্চায়তৰ চূড়ান্ত তালিকাত পূৰ্বৰ বাঘজান গাঁও পঞ্চায়তৰ নামটো বাহাল থকাৰ পাছতে বৃহত্তৰ বাঘজানবাসী ৰাইজ আনন্দিত হৈ পৰা পৰিলক্ষিত হৈছে। বাঘজান গাঁও পঞ্চায়তৰ বাহালৰ উদ্দেশ্যে গঠিত তদাৰক সমিতি, বাঘজান গাঁও মিলনজ্যোতি যুৱক সংঘ, সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু বাঘজান অঞ্চলৰ বিভিন্ন দল-সংগঠনে নিৰ্বাচন আয়োগ, জিলা প্ৰশাসন, জিলা পৰিষদ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী পীয়ুষ হাজৰিকা, শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ তত্বাৱধায়ক বলিন চেতিয়া, মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰুণজ্যোতি মৰাণ, বিজেপি যুৱ মৰ্চা, অসমৰ সাধাৰণ সম্পাদক ত্ৰিদীপজ্যোতি মৰাণৰ লগতে বাঘজান গাঁও পঞ্চায়ত বাহালৰ ক্ষেত্ৰত জড়িত সকলোলৈকে এইক্ষেত্ৰত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।



চামগুৰিত শুকুৰবাৰে বহুকেইজনে যোগদান কৰে কংগ্ৰেছত

## কমলাবাৰীত গড়কাপ্তানি বিভাগৰ বিষয়াক ৰাইজৰ ঘেৰাও

# ঠিকাদাৰে নামানে বিধায়ক প্ৰশাসনৰ কথা, মইমতালিৰে নিম্ন মানৰ নলা নিৰ্মাণ

**ই-সংবাদ, মাজুলী, ১৮ অক্টোবৰঃ** মাজুলীৰ ব্যস্ত ব্যৱসায়িক স্থান কমলাবাৰীত ত্ৰুটিপূৰ্ণভাৱে নিৰ্মাণ হৈ থকা প্ৰায় দুই কোটি টকা ব্যয় সাপেক্ষে পকী নলাৰ কাম প্ৰাককলনৰ মতে নিৰ্মাণ নোহোৱাৰ বাবে বাৰে বাৰে অভিযোগ উঠি আহিছিল। আঁচনিখনৰ সমগ্ৰ কাম ঠিকাদাৰে মইমতালিৰে নিৰ্মাণ কৰাৰো অভিযোগ উত্থাপিত হৈছিল। ২০২১ চনতে আৰম্ভ কৰা পকী নলা ত্ৰুটিপূৰ্ণভাবে নিৰ্মাণৰ কথা ২০২২ চনৰ এখন ৰাজহুৱা সভাত লোকনিৰ্মাণ বিভাগৰ সংমণ্ডল বিষয়াই স্বীকাৰ কৰিছিল যদিও ঠিকাদাৰৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাকৈ একে প্ৰাককলনেৰে পুনৰ নিৰ্মাণৰ কাম চলাই আছিল। কমলাবাৰী বনগাঁও পথৰ উত্তৰ দিশৰ নলাটি নিৰ্মাণ সম্পূৰ্ণ কৰিছিল যদিও ৰাইজৰ দাবীত ঠিকাৰে কমলাবাৰী পঞ্চায়তলৈকে পুনৰ ভাঙি কিছু বহল কৰি পুনৰ নিৰ্মাণ কৰে আৰু দক্ষিণ দিশৰ নলাটোৰো সঠিক নিৰ্মাণ আজিলৈকে হৈ নুঠিল। আনহাতে এনএলকে ৰোডৰ নলা নিৰ্মাণৰ ক্ষেত্ৰত নলাৰ আবৰ্জনা পেলাবৰ বাবে কমলাবাৰী শাকপাচলি আৰু মাছ-মাংসৰ বজাৰখনৰ গাতে লাগি থকা খনিবিলত পেলোৱাৰ ব্যৱস্থাৰে নলা নিৰ্মাণ কৰিছিল ঠিকাদাৰে। উক্ত ঠাইত আৱৰ্জনা পেলোৱাক লৈ নিৰ্মাণৰ সময়তো ৰাইজে প্ৰতিবাদ জনাইছিল। ইতিমধ্যে এই সন্দৰ্ভত হোৱা ৰাজহুৱা সভাত উপস্থিত থাকি মাজুলীৰ বিধায়ক ভুবন গামে ৰাইজৰ অসুবিধা হোৱাকৈ কোনো কাম কৰা নহ'ব বুলি কথা দিছিল আৰু সেই সভাতেই বিভাগৰ লোকো উপস্থিত আছিল। কিন্তু বাস্তৱক্ষেত্ৰত বিধায়ক, ৰাইজ কাৰো কথা নামানি বজাৰৰ দিশেৰে আৱৰ্জনা পেলাবলৈ ঠিকাদাৰে কাম আৰম্ভ কৰে। উক্ত সময়ত ৰাইজ উপস্থিত হৈ বজাৰখন ধ্বংস নকৰিব বুলি প্ৰত্যাহ্বান জনায়। এই বিষয়ে আয়ুক্তক ৰাইজে অৱগত কৰাত আয়ুক্তই এই বিষয়টো মীমাংসা কৰিবলৈ উপ-আয়ুক্তক দায়িত্ব দিয়ে। জিলা উপ-আয়ুক্ত সৌৰভ সোণোৱালে আলোচনাৰ যোগেদি মীমাংসা কৰা হ'ব বুলি ৰাইজক জনাই আৰু ঠিকাদাৰক আলোচনা নোহোৱা পৰ্যন্ত কাম বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশলৈ বুঢ়াআঙুলি দেখুৱাই আজি কাহিলি পুৱাতে ঠিকাদাৰে ৰাইজে বিৰুদ্ধাচৰণ কৰা অংশৰে কাম কৰি ৰাইজৰ দাবীকো নস্যাৎ কৰে। যাক লৈ কমলাবাৰী মিলন সংঘৰ লগতে মাছৰ বজাৰৰ ব্যৱসায়ীসকল ক্ষোভিত হৈ পৰে। ৰাইজৰ অজ্ঞাতে কাহিলী পুৱাতে এই কাম কৰাত ক্ষোভিত হৈ বিভাগৰ লগত যোগাযোগ কৰাত বিভাগীয় বিষয়া আজি পুৱা ৯ বজাত উক্ত মাছৰ বজাৰৰ সন্মুখত উপস্থিত হোৱাত ৰাইজে জবাবদিহি কৰে। বিষয়া কেইজনে ৰাইজক কোৱা অনুসৰি বিয়লি তিনি বজাত আলোচনা কৰি মীমাংসা কৰাৰ আশ্বাস দিছিল। নিৰ্ধাৰিত সময়লৈ ৰাইজে অপেক্ষা কৰি আছিল যদিও আলোচনা নহ'ল।এইক্ষেত্ৰত জিলা প্ৰশাসনৰ দুৰ্বল স্থিতি আৰু বিধায়কে দিয়া প্ৰতিশ্ৰুতি ভংগ কৰাত ক্ষুব্ধ হৈ উঠিছে অঞ্চলবাসী। এনেদৰেই এতিয়া মাজুলীত ঠিকাদাৰে মইমতালিৰে কাম কৰি থকাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে।

## সম্পত্তিকেন্দ্ৰিক বিতৰ্কক লৈ শ্ৰেষ্ঠজিৎ ব্ৰহ্ম-মঞ্জুৰা ৰাণী মেম'ৰিয়েল ট্ৰাষ্টৰ সংবাদমেল



**ই-সংবাদ, বিলাসীপাৰা, ১৮ অক্টোবৰঃ** বিলাসীপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা, প্ৰয়াত ভাৰতী পাটগিৰিৰ সম্পত্তি কেন্দ্ৰিক এক বিতৰ্কক লৈ আজি বিলাসীপাৰাত শ্ৰেষ্ঠজিৎ ব্ৰহ্ম আৰু মঞ্জুৰা ৰাণী মেম'ৰিয়েল ট্ৰাষ্টৰ বিষয়ববীয়াসকলে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত ট্ৰাষ্টৰ প্ৰণেতা ভাৰতী পাটগিৰিয়ে মৃত্যুৰ পূৰ্বে ট্ৰাষ্টৰ নামত উইল কৰি থৈ যোৱা বিশাল সম্পত্তিৰ ওপৰত এতিয়া দূৰ সম্পৰ্কীয় আত্মীয়সকলে অধিকাৰ সাব্যস্ত কৰিবলৈ চেষ্টা চলাই থকা সম্পৰ্কে অৱগত কৰে। ট্ৰাষ্টটোৰ প্ৰতিষ্ঠাপক বিলাসীপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ভাৰতী পাটগিৰিৰ চিকিৎসাত অৱহেলা কৰা বুলি উত্থাপিত অভিযোগো খণ্ডন কৰে ট্ৰাষ্টৰ বিষয়াসকলে। তেওঁলোকে কয় যে কৰ্কট ৰোগত আক্ৰান্ত ট্ৰাষ্টৰ প্ৰতিষ্ঠাপকগৰাকীক সুস্থ কৰি তুলিবলৈ সম্ভৱপৰ সকলো কৰা হৈছিল। স্থানীয় চিকিৎসালয়ৰ লগতে গুৱাহাটী উন্নত চিকিৎসা প্ৰদান কৰি অহাৰ পিছত চেন্নাইলৈ যাবলৈকো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছিল বুলিও জনায়। চিকিৎসা চলি থকা সময়ছোৱাত পাটগিৰিৰ কোনো এগৰাকী আত্মীয়-স্বজনেই খবৰ কৰা নাছিল বুলিও অভিযোগ কৰে ট্ৰাষ্টৰ বিষয়ববীয়াসকলে। এতিয়া ভাৰতী পাটগিৰিৰ মৃত্যুৰ পিছত বহু লোকে নিজকে আত্মীয় বুলি দাবী কৰি সম্পত্তিৰ অধিকাৰ সাব্যস্ত কৰিবলৈ উঠি-পৰি লগা বুলিও অভিযোগ কৰে। সংবাদমেলত ট্ৰাষ্টৰ বিষয়ববীয়াসকলে স্পষ্ট কৰি দিয়ে যে ট্ৰাষ্টৰ প্ৰণেতা ভাৰতী পাটগিৰিয়ে তেওঁৰ যাৱতীয় সা-সম্পত্তি ট্ৰাষ্টৰ নামত দি থৈ গৈছে। সেয়ে প্ৰয়াত ভাৰতী পাটগিৰিৰ বিশাল সা-সম্পত্তিৰ এটকাও আত্মীয়-স্বজনে ভোগ কৰিব নোৱাৰিব বুলি স্পষ্ট কৰি দিয়ে। অতি শীঘ্ৰে প্ৰয়াত ভাৰতী পাটগিৰিৰ সোঁৱৰণত ট্ৰাষ্টে বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিব বুলিও সংবাদমেলত জানিবলৈ দিয়ে।

# শিৱসাগৰৰ গ্ৰন্থ উৎসৱঃ সাহিত্যচাৰ্য নাহেন্দ্ৰ পাদুনক 'প্ৰজ্ঞাৰ সাধক-২০২৪ বঁটা'

**ই-সংবাদ, আমগুৰি, ১৮ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতি অঞ্চলৰ অন্যতম আৰ্থ-সামাজিক, সাহিত্য আৰু সাংস্কৃতিক বিকাশ মঞ্চ তথা স্বেচ্ছাসেৱী অনুষ্ঠান, জোনাকী সমাজে আজি শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত খোজৰ উদ্যোগত অনুষ্ঠিত হোৱা নৱম শিৱসাগৰ গ্ৰন্থ উৎসৱৰ বাকৰিত খেজুৰিতল জ্ঞানজ্যোতি বিদ্যাপীঠৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত সাংস্কৃতিক অনুষ্ঠানৰ পাছতেই ভাষাতত্ত্ববিদ, সু-কবি, লোকসংস্কৃতিৰ সাধক, শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক সাহিত্যচাৰ্য নাহেন্দ্ৰ পাদুনক এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত জোনাকী সমাজৰ "প্ৰজ্ঞাৰ সাধক-২০২৪ বঁটা" প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি নাহেন্দ্ৰ পাদুনে ভাষণ প্ৰসংগত কয়, জোনাকী সমাজৰ এনে পদক্ষেপে মোক সমাজৰ দায়বদ্ধতাৰ দিশে আগবঢ়াই দিলে। জোনাকী সমাজৰ এই বঁটা গ্ৰহণ কৰি মই আৰু অধিক তৎপৰতাৰে ৰাইজৰ হকে কাম কৰিবলৈ অনুপ্ৰেৰণা পাইছো। উল্লেখযোগ্য যে, স্বেচ্ছাসেৱী অনুষ্ঠান জোনাকী সমাজে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ কল্যাণ সাধন হোৱাকৈ বিভিন্ন সময়ত ভিন্ন ভিন্ন কৰ্ম আঁচনি ৰূপায়ণ কৰি আহিছে। আনহাতে, উক্ত অনুষ্ঠানতে দেৱযানী শইকীয়া গগৈৰ দ্বিতীয়খন কাব্যগ্ৰন্থ "চৰাইটো মোৰ নাছিল" উন্মোচন কৰেসদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে। জোনাকী সমাজৰ সম্পাদিকা দেৱযানী শইকীয়া গগৈয়ে আঁত ধৰা অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, প্ৰাক্তন শিক্ষক দুলৰ্ভ শইকীয়া, জোনাকী সমাজৰ সভাপতি দেৱযানী মহন্ত, সদৌ অসম লেখিকা সমাজৰ উপ-সভাপতি দীপ্তি গগৈ, দীপালি স্বৰ্গীয়াৰীকে ধৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## সহস্ৰাধিক লোকৰ লগতে লক্ষ্মী ওৰাঙৰো অংশগ্ৰহণ

# বিশ্বনাথত আদিবাসীসকলৰ ভূমি সমস্যাক লৈ সজাগতা সভা




**ই-সংবাদ, বিশ্বনাথ, ১৮ অক্টোবৰঃ** বিশ্বনাথ জিলা আদিবাসীসকলৰ ভূমি সমস্যা সমাধানৰ বাবে বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত প্ৰেক্ষাগৃহত বিশাল সজাগতা সভাৰ আয়োজন কৰা হয়। বিশ্বনাথ জিলা আদিবাসী ভূমি অধিকাৰ দাবী আহ্বায়ক সমিতিৰ সভাপতি সুৰেশ পানতাঁতিৰ সভাপতিত্বত সম্পাদক প্ৰবীণ ওৰাঙে উদ্দেশ্য বাখ্যা কৰা জনসভাত বনাঞ্চলত বসবাস কৰা আদিবাসীসকলৰ ভূমিৰ অধিকাৰ তথা ভূমি পট্টা সন্দৰ্ভত আলোচনা কৰা হয়। বিশেষকৈ যুগ যুগ ধৰি বনাঞ্চলত বসবাস কৰা আদিবাসীসকলে আজিও ভূমিৰ অধিকাৰ পৰা বঞ্চিত হৈ আছে। ২০০৬ চনৰ বন অধিকাৰ অধিনিয়মৰ আওঁতাত আজিও পোৱা নাই মাটিৰ পট্টা। অৱশ্যে আদিবাসী শান্তি চুক্তিৰ জৰিয়তে ৰূপায়ণ কৰিব লগা হোৱা ভূমিৰ অধিকাৰৰ ক্ষেত্ৰত চৰকাৰে আনিছে এক আশাৰ বতৰা। বিশ্বনাথ জিলা আদিবাসী ভূমি অধিকাৰ দাবী আহ্বায়ক সমিতিয়ে আয়োজন কৰা বিশাল সজাগতা সভাত অংশগ্ৰহণ কৰি বিশ্বনাথ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে বিষয়টোৰ সন্দৰ্ভত গঠনমূলক আলোকপাত কৰে। আয়ুক্ত গৰাকীয়ে অতি শীঘ্ৰে বংশানুক্ৰমে বনাঞ্চলত বসবাস কৰা আদিবাসীসকলক ভূমি পট্টা প্ৰদান কৰা হ'ব বুলি সদৰী কৰে। চৰকাৰে এই সন্দৰ্ভত নিৰ্দেশনা প্ৰদান কৰাৰ কথাও জনাই আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে। আনহাতে সভাত উপস্থিত থকা স্থানীয় বিধায়ক প্ৰমোদ বৰঠাকুৰে বনাঞ্চলত বসবাস কৰা আদিবাসীসকলৰ ভূমিৰ সমস্যা সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰাৰ কথা উল্লেখ কৰে। ইপিনে আদিবাসী উন্নয়ন পৰিষদৰ সদস্য দ্বীপেন নায়কে উল্লেখ কৰি কয় যে ভূমিয়ে আদিবাসী সকলৰ বাবে সকলো। আদিবাসীসকলৰ জনজীৱনৰ আধাৰ স্বৰূপ ভূমিৰ অধিকাৰ তেওঁলোকৰ ন্যায্যতা বুলি বক্তব্যত উল্লেখ কৰে। চৰকাৰে ইতিমধ্যে ইতিবাচক সহাৰি তথা কাৰ্যকৰণ কৰাৰ কথা উল্লেখ কৰে নায়কে। উক্ত গাম্ভীৰ্যপূৰ্ণ সভাত বিৰছা কামাণ্ডো ফৰ্চৰ প্ৰাক্তন সহঃসম্পাদক বিকাশ চুৰিণ, বিশ্বনাথ জিলা আছাৰ সভাপতি অমিত কিণ্ড, জিলা আটছাৰ সম্পাদক নীলোৎপল ৰবিদাস, আদিবাসী নেত্ৰী লক্ষ্মী ওৰাঙকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকি বক্তব্য ৰাখে। উক্ত জন সজাগতা সভাত প্ৰায় ৫ সহস্ৰাধিক আদিবাসী ৰাইজ উপস্থিত থাকে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই কাৰ্যকৰী সভাপতি আগষ্টিন তিৰ্কীয়ে।

# গোলকগঞ্জ থানাৰ বাহন চালকৰ গুণ্ডাগিৰি, নিৰীহক আক্ৰমণ

**ই-সংবাদ, গোলকগঞ্জ, ১৮ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ গাড়ী চালকে নিজকে আৰক্ষীৰ লোক বুলি পৰিচয় দি যোৱা ১৬ অক্টোবৰৰ নিশা কমলাঝাৰ গাঁৱত সাধাৰণ লোকক মাৰপিট কৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, গাঁওখনৰ মিৰাজ আলী (২৫) নিশা দহ বজাত শহুৰেকৰ ঘৰৰ পৰা অহাৰ সময়ত কমলাঝাৰৰ কালাপানী ৰোডত থানাৰ গাড়ী চালক আবুল হুছেইন আৰু গোলাব হুছেইনৰ লগত মুখামুখি হয়। কোনো প্ৰশ্নৰ অৱতাৰণা নকৰি অবাইচ ভাষাত অহেতুক গালি দিয়াৰ লগতে দাবী-ধমকি দিয়ে। ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ ধৰোতেই লাঠি, চোকা অস্ত্ৰৰে সুসজ্জিত হৈ থকা আবুল আৰু গোলাবে মিৰাজক আক্ৰমণ কৰে। চুৰি-লাঠিৰে আক্ৰমণ কৰাৰ লগতে নগদ ছাৰে এঘাৰ হাজাৰ টকাও কাঢ়ি নিয়ে। ছুৰিকাঘাতত গুৰুতৰভাৱে আহত হয় মিৰাজ। খবৰ পাই মিৰাজৰ ভাতৃ আকবৰ আলী ঘটনাস্থলীত উপস্থিত হয়। দুয়োজনে আকবৰ আলীকো মাৰপিট কৰে আৰু গোলকগঞ্জ থানাত তেওঁলোকৰ বিৰুদ্ধে এজাহাৰ দি একো কৰিব নোৱাৰে বুলিও আবুলে দম্ভালি মাৰে। এই সন্দৰ্ভত কালি গোলকগঞ্জ থানাত মিৰাজে এজাহাৰ দাখিল কৰে। কিন্তু ৰহস্যজনকভাৱে আবুলে দম্ভালি মৰা ধৰণে আজিলৈ আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰা বুলি অভিযোগ উত্থাপিত হৈছে।

# বৰপেটাত কৃষি সজাগতামূলক কাৰ্যসূচীত উপস্থিত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

**ই-সংবাদ, বৰপেটা, ১৮ অক্টোবৰঃ** কাতি বিহু উপলক্ষে বৃহস্পতিবাৰে চৰকাৰৰ বিভিন্ন কৃষি আঁচনিৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে সমগ্ৰ বৰপেটাত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্যসূচীসমূহত প্ৰগতিশীল কৃষকসকলক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ প্ৰচেষ্টাক সহায় কৰিবলৈ কৃষি সামগ্ৰী বিতৰণ কৰা হয়। আলোপতি মাজাৰচৰত জিলা কৃষি বিষয়াৰ সৈতে জিলা প্ৰশাসনে এনে এটা অনুষ্ঠানৰ আয়োজন কৰে য'ত অঞ্চলটোৰ জনপ্ৰতিনিধি, এফপিচিৰ সদস্য আৰু অন্যান্য প্ৰগতিশীল কৃষকসকলে অংশগ্ৰহণ কৰে। বাটিকুৰিহা গাঁৱত আন এক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকি বৰপেটাৰ মহকুমাধিপতি আৰু আন বিষয়াসকলে চলি থকা কাৰ্যসূচী আৰু ইয়াৰ উপকাৰিতাৰ বিষয়ে উপস্থিতসকলক বুজাই দিয়ে। পাঠশালা মহকুমাৰ অন্তৰ্গত ডুমুৰিয়া গাঁৱত আয়োজিত কাৰ্যসূচীত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশগ্ৰহণ কৰি জনসাধাৰণক সম্বোধন কৰি খেতিৰ পদ্ধতি আৰু আঁচনিৰ বিষয়ে সজাগতা সৃষ্টিৰ চেষ্টা কৰে। বাটিকুৰিহা গাঁৱত আন এক অনুষ্ঠানত বিশেষ অতিথিৰ লগতে ডিএঅ', এছডিএঅ' আৰু এডিঅ'সকলে চলি থকা কৃষি আঁচনিসমূহৰ বিষয়ে আলোকপাত কৰে। এই সকলো অনুষ্ঠানতে গণ্যমান্য ব্যক্তিসকলে কৃষি উৎপাদনশীলতা বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰী আঁচনিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৃষকসকলক তেওঁলোকৰ হাতত থকা সম্পদৰ সুবিধা ল'বলৈ আহ্বান জনায়।

# ছাত্ৰীক ধৰ্ষণ কৰি এমাহে পলাতক প্ৰধান শিক্ষক



**ই-সংবাদ, কলগাছিয়া, ১৮ অক্টোবৰঃ** বিগত এমাহ ধৰি পলাতক কলগাছিয়াৰ পুৱ ৰামপুৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আকাব্বৰ আলী। প্ৰধান শিক্ষক আকাব্বৰ আলীৰ বিৰুদ্ধে কলগাছিয়া থানাত ৰজু হৈ আছে ছাত্ৰীক ধৰ্ষণ কৰাৰ গোচৰ। যোৱা ১৯ ছেপ্টেম্বৰত কলগাছিয়া আৰক্ষী থানাত গোচৰ ৰজু হোৱাৰ এমাহ পিছতো আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হোৱা নাই লম্পট শিক্ষকগৰাকীক। উল্লেখ্য যে চলিত মহৰ ১৬ ছেপ্টেম্বৰৰ দিনা বিদ্যালয় ছুটীৰ পিছত প্ৰধান শিক্ষকজনে ৰুমলৈ মাতি নি বলপূৰ্বকভাৱে ১২ বছৰীয়া নাবালিকা ছাত্ৰীক যৌন নিৰ্যাতন চলাইছিল বুলি এক অভিযোগ উত্থাপন হৈছিল। ধৰ্ষণৰ অভিযুক্ত শিক্ষকগৰাকীক বিচাৰি কলগাছিয়া আৰু বৰভিটা আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে যদিও এই পৰ্যন্ত সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। ৰাইজে ১৫ দিন পূৰ্বে লম্পট পলাতক প্ৰধান শিক্ষকগৰাকীৰ সন্ধান দিওতালৈ ঘোষণা কৰিছে ১৫ হাজাৰ টকাৰ পুৰস্কাৰ। বিগত এমাহ ধৰি প্ৰধান শিক্ষক আকাব্বৰ আলী বিদ্যালয়ত অনুপস্থিত আছে যদিও ৰূপসী প্ৰাথমিক শিক্ষা বিষয়াই শিক্ষকগৰাকীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে।

# অসম ৰাজ্য ভাষা আইন প্ৰয়োগৰ দাবীৰে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ হোজাই সাহিত্য সভাৰ

**ই-সংবাদ, মোৰাঝাৰ, ১৮ অক্টোবৰঃ** অসম সাহিত্য সভাৰ হোজাই জিলা সমিতিৰ এটি সজাতি দলে আজি অসম ৰাজ্য ভাষা আইনৰ যথাৰ্থ প্ৰয়োগ সন্দৰ্ভত জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে, অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰচাৰৰ বাবে ১৯১৭ চনৰ পৰাই নিৰলসভাৱে কাম কৰি আহিছে। অসমৰ সকলো চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানতে অসমীয়া ভাষা প্ৰয়োগৰ বাবে বিভিন্ন সময়ত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ৰাজ্যভাষা আইন প্ৰণয়ন কৰিবৰ বাবেও চৰকাৰক দাবী জনাই অহা হৈছিল। সভাৰ প্ৰচেষ্টা আৰু অসমৰ ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই অসম বিধান সভাই ১৯৬০ চনত 'অসম ৰাজ্য ভাষা আইন ১৯৬০' বিধেয়ক গ্ৰহণ কৰে আৰু অসমৰ মহামহিম ৰাজ্যপালৰ অনুমোদনৰ পাছত এই আইনত পৰিণত হয়। অসম চৰকাৰৰ এই মহৎ পদক্ষেপ অসমৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব। পৰৱৰ্তী সময়ত তিনিবাৰকৈ এই আইন ক্ৰমে ১৯৬১, ১৯৭০ আৰু ২০২০ চনত সংশোধনো কৰা হয়। কিন্তু পৰিতাপৰ বিষয় যে অসম সাহিত্য সভা আৰু অসমৰ ৰাইজৰ ঐকান্তিক চেষ্টাৰ ফল 'অসম ৰাজ্য ভাষা আইন ১৯৬০' খন সুদীৰ্ঘ ৬৩ বছৰ অতিক্ৰম কৰাৰ পাছতো ইয়াৰ যথাৰ্থ প্ৰয়োগ পৰিলক্ষিত হোৱা নাই। এই সম্পৰ্কত বিভিন্ন সময়ত বিভাগীয় কৰ্তৃপক্ষৰ সভাৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছিল যদিও কোনো সুফল পোৱা নগল। গতিকে স্মাৰক-পত্ৰৰ জৰিয়তে অসমৰ বৰ্তমান গতিশীল তথা সুদক্ষ মুখ্যমন্ত্ৰীক সভাৰ তৰফৰ পৰা সন্মান সহকাৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি ৰক্ষাৰ বৃহত্তৰ স্বাৰ্থত 'অসম ৰাজ্য ভাষা আইন ১৯৬০' তৎকালীনভাৱে যথাযথ প্ৰয়োগৰ ব্যৱস্থা গ্ৰহণ কৰি অসমীয়া ভাষাক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱাৰ আহ্বান জনায়। লগতে মুখ্যমন্ত্ৰীক অসমৰ প্ৰতিখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ত দশম শ্ৰেণী পৰ্যন্ত বাধ্যতামূলকভাৱে অসমীয়া ভাষাটো এটা বিষয় হিচাপে অধ্যয়নৰ ব্যৱস্থাৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হয়। ইয়াৰ লগতে অসমৰ চৰকাৰী-বেচৰকাৰী সকলো ব্যৱসায়-বাণিজ্য কেন্দ্ৰৰ নামফলকসমূহত অসমীয়া ভাষাৰ ব্যৱহাৰ সুনিশ্চিত কৰাৰ অৰ্থে জিলাসমূহৰ আয়ুক্তসকলক বিশেষ নিৰ্দেশনা প্ৰদান কৰিবলৈও এই স্মাৰক-পত্ৰৰ জৰিয়তে অনুৰোধ জনোৱা হয়। হোজাই জিলাৰ আয়ুক্তৰ জৰিয়তে অসম সাহিত্য সভাৰ হোজাই জিলা সমিতিৰ এটা প্ৰতিনিধি দলে উক্ত স্মাৰকপত্ৰ প্ৰদান কৰে। প্ৰতিনিধি দলটোত জিলা সাহিত্য সভাৰ সভাপতি ড° ইন্দ্ৰজিৎ বেজবৰুৱা, সম্পাদক বিৰাজ কুমাৰ বৰা, সহ সম্পাদকদ্বয় অচ্যুত ঠাকুৰীয়া, অৰুণ বৰা, প্ৰচাৰ সম্পাদক বাচিত আলম চৌধুৰী, কবি সন্মিলন উপ সমিতিৰ সভানেত্ৰী কল্পনা দেৱী গোস্বামী, অনিমা বৰুৱা, যুৱ সংসদ উপ-সমিতিৰ আহ্বায়ক ছাদিকুজ জামান, জিলা কাৰ্যনিৰ্বাহক তুলসী চাহু উপস্থিত থাকে। লগতে আজি কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ সৈতে আৰতে ভৱনত হোজাই জিলা সাহিত্য সভাৰ প্ৰতিনিধি দলে সৌজন্যমূলক সাক্ষাৎ কৰি সাংগঠনিক তথা আন্তগাঁথনি সন্দৰ্ভত এক আলোচনাত মিলিত হয়। ঘণ্টাযোৰা এই আলোচনাত সাংসদগৰাকীয়ে সৰ্বোতোপ্ৰকাৰ সহায় কৰিবলৈ সন্মতি প্ৰদান কৰে।



## কলগাছিয়াত ৰাসায়নিক সাৰ বিক্ৰেতাৰ সংবাদমেল

# সাৰৰ চিণ্ডিকেট চলোৱা বুলি ভিত্তিহীন বাতৰি কৰাৰ অভিযোগ



**ই-সংবাদ, কলগাছিয়া, ১৮ অক্টোবৰঃ** বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত চৰকাৰৰ অনুমোদন সাপেক্ষে একাংশ ৰাসায়নিক সাৰৰ বিক্ৰেতাসকলে নিজৰ ব্যৱসায় চলাই আছে যদিও বৰপেটাৰ সাংবাদিক ৰাজু ওজাই এই ব্যৱসায়ীসকলক বিভিন্ন ভাবুকিৰে ধন দাবী কৰাৰ লগতে বাতৰি পৰিৱেশন কৰাৰ ভাবুকি প্ৰদান কৰে। ব্যৱসায়ীসকলে ৰাজু ওজাক ধন নিদিয়াৰ বাবে তেওঁলোকৰ বিৰুদ্ধে একাংশ ব্যক্তিগত সংবাদ মাধ্যমত সাৰৰ চিণ্ডিকেট চলাই থকা বুলি মিছা আৰু ভিত্তিহীন বাতৰি পৰিৱেশন কৰিছে বুলি সংবাদমেলৰ জৰিয়তে অভিযোগ উত্থাপন কৰে সাৰ ব্যৱসায়ীসকলে। ব্যৱসায়ীসকলে কয় যে তেওঁলোকে কোনো সাৰ চিণ্ডিকেটৰ লগত জড়িত নহয়। সাংবাদিকগৰাকীয়ে ফেচবুকৰ পৰা ফটো সংগ্ৰহ কৰি কোনো মন্তব্য নোলোৱাকৈ বিসংগতিপূৰ্ণ মিছা বাতৰি পৰিৱেশন কৰিছে বুলি অভিযোগ কৰে সাৰ বিক্ৰেতাসকলে। আনহাতে ২৪ ঘন্টাৰ ভিতৰত ছিণ্ডিকেটৰ তথ্য ৰাজহুৱা নকৰিলে সাংবাদিক ৰাজু ওজাৰ বিৰুদ্ধে আইনৰ দ্বাৰস্থ হ'ব বুলি হুংকাৰ প্ৰদান কৰে সাৰ ব্যৱসায়ীসকলে।

## জেকক লৈ হাজোৰ ৰাজপথত বিশাল ৰেলী

# ৰাষ্ট্ৰীয় পৰ্যায়ত অসমক জিলিকালে হাজোৰ জেক আছলামে



**ই-সংবাদ, হাজো, ১৮ অক্টোবৰঃ** ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগীতানুষ্ঠানত পুনৰ জিলিকি উঠিল অসমীয়া যুৱক। ৰাষ্ট্ৰীয় টিভি চেনেল ডি ডি নেচনেলত প্ৰচাৰিত 'সুৰো কা একলব্য, ছিজন ২' নামৰ সংগীতৰ ৰিয়েলিটী শ্ব'ত ৰাণাৰ্চ আপ সন্মান লাভেৰে অসম তথা হাজোলৈ গৌৰৱ কঢ়িয়াই আনে হাজো আদাবাৰীৰ যুৱক জেক আছলামে। মায়ানগৰী মুম্বাইত অনুষ্ঠিত এই সংগীতৰ ৰিয়েলিটী শ্ব'ত দ্বিতীয় পুৰস্কাৰ লাভেৰে যথেষ্ট উৎফুল্লিত হৈ পৰে সৰুৰে পৰা সংগীত সাধনা কৰা জেক আছলামে। বিগত দিনকেইটাত মুম্বাইত একাধিক সংগীতৰ কাম কৰা জেক আছলাম বৃহস্পতিবাৰে হাজোত উপস্থিত হয়। হাজোত উপস্থিত হোৱাৰ লগে-লগে ঐতিহাসিক পোৱামক্কা দৰগাহৰ মুখ্য প্ৰৱেশদ্বাৰৰ পৰা জেক আছলামৰ অনুৰাগীসকলে বাইকেৰে ৰেলী কৰি তেওঁৰ জন্মস্থান আদাবাৰীলৈ আদৰি নিয়ে। জেক আছলামে অনাগত দিনত অসমৰ ৰাইজৰ আশীৰ্বাদ শিৰত লৈ সৃষ্টিশীল কাম কৰি যাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

# ডিব্ৰুগড় জিলা পৰিষদৰ পঞ্চায়তৰ সীমা নিৰ্ধাৰণৰ চূড়ান্ত অধিসূচনা প্ৰকাশ

**ডিব্ৰুগড়, ১৮ অক্টোবৰঃ** ডিব্ৰুগড় জিলা পৰিষদৰ ৭ টা আঞ্চলিক পঞ্চায়ত ক্ৰমে বৰবৰুৱা আঞ্চলিক পঞ্চায়ত, লাহোৱাল আঞ্চলিক পঞ্চায়ত, চাবুৱা আঞ্চলিক পঞ্চায়ত, টেঙাখাট আঞ্চলিক পঞ্চায়ত, নাহৰকটীয়া আঞ্চলিক পঞ্চায়ত, টিংখাং আঞ্চলিক পঞ্চায়ত আৰু খোৱাং আঞ্চলিক পঞ্চায়তৰ অধীনৰ গাওঁ পঞ্চায়ত আৰু সেই গাওঁ পঞ্চায়তৰ অধীনৰ গাওঁসমূহৰ সীমাৰ নিৰ্ধানৰ চূড়ান্ত অধিসুচনা প্ৰকাশ পাইছে। আনহাতে, গাওঁ পঞ্চায়ত আৰু গাওঁ পঞ্চায়তসমূহৰ অধীনৰ গাওঁসমূহৰ সীমাৰ নিৰ্ধাৰণৰ চূড়ান্ত অধিসুচনা প্ৰকাশ পোৱাৰ পাছতে জিলা আয়ুক্তই গাওঁ পঞ্চায়তৰ ৱাৰ্ডৰ অধিসূচনাও প্ৰকাশ কৰিছে। এই চূড়ান্ত অধিসূচনা জিলা আয়ুক্ত কাৰ্যালয়ৰ লগতে আটাইকেইটা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, সমজিলা আয়ুক্তৰ কাৰ্যালয়, গাওঁ পঞ্চায়তৰ কাৰ্যালয়ত ৰাইজে চাব পৰাকৈ জাননী ফলকত উপলব্ধ কৰা হ'ব। ইয়াৰোপৰি ৰাইজে অনলাইনযোগেও চূড়ান্ত অধিসূচনাখন চাব পাৰিব ।মঙ্গলদৈ ইলেকট্ৰনিক মিডিয়া ফ'ৰামৰ সম্পাদক নৱজ্যোতি মহন্তই অংশগ্ৰহণ কৰে। আজিৰ সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ৰাণা আলম ,সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হৃদয় বৰুৱা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মুকুট চন্দ্ৰ হাজৰিকা, দৰং জিলা কবি সমাজৰ বিষয়ববীয়া প্ৰফুল্ল দেৱ শৰ্মা প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে গ্ৰন্থমেলাখনি সাফল্যমণ্ডিত কৰি তোলাৰ অৰ্থে ভালেমান পৰামৰ্শ আগবঢ়ায়।

# গৰখীয়া গোপাল মাৰলী থানৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ৰঙিয়া, ১৮অক্টোবৰঃ** ৰঙিয়াৰ তুলসীবাৰীস্থিত অন্যতম আগশাৰীৰ ধৰ্মীয় অনুষ্ঠান শ্ৰী শ্ৰী গৰখীয়া গোপাল মাৰলী থানৰ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি উদযাপন কৰা হয়। লোক বিশ্বাস আৰু আধ্যাত্মিক পৰম্পৰা বিজড়িত ঐতিহাসিক থানখনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱাৰ ভাগত ভাগৱত পাঠ অনুষ্ঠিত কৰা হয়। আনহাতে দিনৰ ভাগত নাগাৰা নামৰ পাঠক ৰাহুল কলিতা আৰু পাঠিকা সুৰভী দাসে অনুষ্ঠান পৰিৱেশন কৰে। বৃহত্তৰ অঞ্চলটোৰ ভিন্ন প্ৰান্তৰ পৰা সমবেত ভক্ত প্ৰাণ ৰাইজে নাগাৰা নামৰ অনুষ্ঠান উপভোগ কৰি আপ্লুত হয়।

শেষ পৃষ্ঠা

## গ'ল্ড কাপ ফুটবল

# জীহীলাও এথলেটিক ক্লাব চেম্পিয়ন

**ই-সংবাদ, বেৰেজীয়া, ১৮ অক্টোবৰঃ** লাংহিনৰ বীৰুপাৰা ৰংজালু ক্লাবৰ উদ্যোগত বীৰুপাৰা খেলপথাৰত শুকুৰবাৰে সামৰণি পৰা ১৫ সংখ্যক শ্ৰী শ্ৰীলক্ষ্মীপূজা গ'ল্ড কাপ ফুটবল প্ৰতিযোগিতাত লাংহিনৰ জীহীলাও এথলেটিক ক্লাবে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ ফাইনেলত জীহীলাও এথলেটিক ক্লাবে পশ্চিম কাৰ্বি আংলঙৰ খেৰণিৰ ফেলকন এফ চিক ৩-১ গ'লত পৰাস্ত কৰে। অসম ফুটবল সন্থা আৰু কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত এই প্ৰতিযোগিতাৰ ফাইনেল খেলখনত জীহীলাও এথলেটিক ক্লাবৰ হৈ লংপ্ৰেম ডেৰা, মানিয়াচা সিং আৰু মাম'চা সিঙে গ'লকেইটা দিয়াৰ বিপৰীতে ফেলকন এফ চিৰ হৈ চাৰ্বিনং ক্ৰ'ই একমাত্ৰ গ'লটো স্ক'ৰ কৰে। খেলখন পৰিচালনা কৰাত ৰেফাৰী প্ৰেম নাৰ্জাৰীক সহায় কৰে বাজু টিচ', ধনেশ শ্বা আৰু নিজম তামুলাৰী(চতুৰ্থ)য়ে। উল্লেখ্য যে, জীহীলাও এচিৰ এম সিঙে শ্ৰেষ্ঠ খেলুৱৈ, ইশা শ্বেইখে শ্ৰেষ্ঠ ডিফেণ্ডাৰ, ৰোহিত ৰয়ে শ্ৰেষ্ঠ গ'লৰক্ষক, ফেলকন এফ চিৰ চাৰ্টম ক্ৰামচা আৰু কাম্থিম ক্ৰ'ই যুটীয়াভাৱে সৰ্ব্বোৰ্চ গ'লদাতাৰ পুৰস্কাৰ লাভ কৰে।

# ফাইনেললৈ আমগুৰি, জংগল

**ই-সংবাদ, আমগুৰি, ১৮ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ খেলপথাৰত নামতি ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হৈ থকা "দূৰ্গা বৰা কাপ" ফুটবল প্ৰতিযোগিতাত ফাইনেলত প্ৰৱেশ কৰিছে আমগুৰি ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ ফুটবল দল আৰু মৰিয়নিৰ জংগল ব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ। ১৭ অক্টোবৰত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত তিনিচুকীয়াৰ বাৰেকুৰি আৰ.এছ এচ'চিয়েশ্যনক ৪-২ গলৰ ব্যৱধানত পৰাভূত কৰি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে আমগুৰি দলটোৱে। নিৰ্দ্ধাৰিত সময়ত গলশূন্যভাৱে সমাপ্ত হোৱা ছেমি ফাইনেল খেলখনত টাইব্ৰেকাৰৰ জৰিয়তে ফলাফল নিৰ্ণয় কৰা হয়। আনহাতে, আজি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত মৰিয়নিৰ জংগল ব্লক ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ দলটিয়ে চৰাইদেউ ফুটবল ক্লাবক টাই-ব্ৰেকাৰৰ সহায়ত ৩-১ গলত পৰাভূত কৰে। নিৰ্দ্ধাৰিত সময়ত খেলখন ২-২ গলত ড্ৰ' হৈ ৰৈছিল।



## প্ৰথম ইনিংছত অগ্ৰগতিৰ অভিলেখ নিউজিলেণ্ডৰ

# বাংগালুৰুত জয়ৰ বাবে যুঁজ ৰোহিত বাহিনীৰ

**বাংগালুৰু, ১৮ অক্টোবৰঃ** ভাৰতৰ মাটিত ভাৰতৰ বিৰুদ্ধে অভূতপূৰ্ব সফলতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছে নিউজিলেণ্ড। বাংগালুৰুত চলি থকা বৰ্ষা বিঘ্নিত প্ৰথমখন টেষ্টৰ আজি তৃতীয় দিনা প্ৰথম ইনিংছত ৩০০ৰো অধিক ৰানৰ অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে আলহী দলটোৱে। ভাৰতীয় মূলৰ ৰাচিন ৰবীন্দ্ৰৰ দৰ্শনীয় শতকৰ সহায়ত কিৱি দলটোৱে এই অগ্ৰগতি লাভ কৰে। উল্লেখ্য যে, ২০১২ চনত কলকাতাৰ ইডেন গাৰ্ডেনত ভাৰতৰ বিৰুদ্ধে প্ৰথম ইনিংছত ২০৭ ৰানৰ অগ্ৰগতি লাভ কৰিছিল ইংলেণ্ডে। তেতিয়াৰে পৰা ভাৰতৰ বিৰুদ্ধে ভাৰতৰ মাটিত কোনো দলে ২০০ ৰানতকৈয় অধিক ৰানত অগ্ৰগতি লাভ কৰিব পৰা নাছিল। অৱশেষত সুদীৰ্ঘ ১২ বছৰৰ অন্তত সেই সাফল্য অৰ্জন কৰে নিউজিলেণ্ডে। প্ৰথম ইনিংছত ভাৰতক জোলোকা জোলোকে পানী খুৱাই মাত্ৰ ৪৬ ৰানতে অলআউট কৰাৰ পিছত নিজৰ প্ৰথম ইনিংছত নিউজিলেণ্ডে সুন্দৰ প্ৰদৰ্শন আগবঢ়ায়। অপেনাৰ ডেভিদ কনৱেৰে ৯১ ৰানৰ ইনিংছ উপহাৰ দিয়াৰ পিছতে ৰাচিনে ১৩৭ ৰানৰ শতকীয় ইনিংছৰ সহায়ত আলহী দলটোৱে ৯১.২ অভাৰত ৪০২ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছ সামৰে। ইয়াৰ লগে লগে দলটোৱে প্ৰথম ইনিংছত ৩৫৬ ৰানৰ অগ্ৰগতি লাভ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে প্ৰথম ইনিংছৰ ভুলৰ পিছত সাৱধানতা অৱলম্বন কৰি দ্বিতীয় ইনিংছত সংযমতাৰে খেলিবলৈ লয়। ঘৰুৱা দলটোৱে ৪৯ অভাৰত ৩টা উইকেট হেৰুৱাই ২৩১ ৰান সংগ্ৰহ কৰে। ৰোহিত শৰ্মাই ৫২ আৰু বিৰাট কোহলিয়ে ৭০ ৰান কৰি পেভিলিয়নমুখী হয়। দিনান্তত ৭০ ৰান সংগ্ৰহ কৰি ছৰফৰাজ খান নট আউট হৈ আছে। নিউজিলেণ্ডৰ হৈ আজাজ পেটেলে ২টা আৰু গ্লেন ফিলিপছে এটা উইকেট দখল কৰে। এতিয়া মেচখনত প্ৰত্যাৱৰ্তন কৰিবলৈ হ'লে কাইলৈ চতুৰ্থ দিনটোত ভাৰতীয় বেটাৰসকলে কিৱি বলাৰসকলৰ বিৰুদ্ধে দুৰ্দান্ত প্ৰদৰ্শন অব্যাহত ৰাখিব লাগিব।

# ৪৫০ দিনৰ অন্তত টেষ্টত জয়ৰ সোৱাদ পালে পাকিস্তানে

**মূলতান, ১৮ অক্টোবৰঃ** অৱশেষত ৪৫০ দিনৰ অন্তত টেষ্টত জয়ৰ সোৱাদ লাভ কৰিবলৈ সমৰ্থ হ'ল পাকিস্তান। বিগত বৰ্ষত শ্ৰীলংকাৰ বিৰুদ্ধে অন্তিমখন টেষ্টত জয়ী হৈছিল দলটো। তেতিয়াৰে পৰা ইখনৰ পিছত সিখনকৈ টেষ্টত ক্ৰমাগত ব্যৰ্থতাৰ সন্মুখীন হৈ আহিছে দলটোৱে। শেহতীয়াকৈ বাংলাদেশৰ বিৰুদ্ধে টেষ্ট ছিৰিজত পৰাস্ত হোৱাৰ পিছত দিনদিয়েক পূৰ্বে ইংলেণ্ডৰ হাতত নিজৰ মাটিতে প্ৰথমখন টেষ্টত শোচনীয়ভাৱে ইনিংছ ব্যৱধানত ধৰাশায়ী হৈছিল পাকিস্তান। তিক্ততাপূৰ্ণ ধাৰাবাহিক পৰাজয়ৰ অন্তত শুকুৰবাৰে দ্বিতীয়খন টেষ্টত জয়ী হৈ দলটোৱে ঘূৰাই পাইছে হাঁহি। বাবৰ আজম, শ্বাহীদ আফ্ৰিদীক বাদ দি খেলপথাৰত নমা পাক দলটোৱে মূলতানৰ দ্বিতীয় টেষ্টত বেন ষ্টোকছৰ নেতৃত্বৰ শক্তিশালী ইংৰাজ বাহিনীৰ বিৰুদ্ধে ১৫২ ৰানত জয়ী হয়। বাবৰৰ স্থানত অন্তৰ্ভুক্ত হোৱা কামৰান গুলামৰ অভিষেক টেষ্টৰ শতকৰ সহায়ত পাক দলটোৱে প্ৰথম ইনিংছত সংগ্ৰহ কৰে ৩৬৬ ৰান। ইংলেণ্ডে নিজৰ প্ৰথম ইনিংছ ২৯১ ৰানতে সামৰে। ইয়াৰ পিছত ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত ২২১ ৰান কৰি ইংলেণ্ডক জয়ৰ বাবে ২৯৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। নিজৰ দ্বিতীয় ইনিংছত ইংলেণ্ডে মাথো ১৪৪ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। পাকিস্তানৰ হৈ দ্বিতীয় ইনিংছত নোমন আলীয়ে দুৰ্দান্ত প্ৰদৰ্শনৰে ৮টা উইকেট লাভ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)